# উন্নত দেশ আৰু দক্ষতা বিকাশ

জগন্নাথ ৰাজবংশী
প্ৰধান শিক্ষক,
পশ্চিম মায়ং উচ্চ বিদ্যালয়

বৰ্তমান যুগ সাপেক্ষ জ্ঞান বিতৰণ ব্যৱস্থাত উন্নত দেশ সমূহে দক্ষতা বিকাশত অধিক প্ৰাধান্য দিয়া দেখা গৈছে। ফলস্বৰূপে এই দেশসমূহে তেওঁলোকৰ সৰ্বদিশত ঈৰ্ষনীয় ভাবে সফলতাও লাভ কৰিছে। কোৰিয়া, জাৰ্মানী, জাপান, ইউনাইটেড কিংডম আদি উন্নত দেশসমূহৰ দক্ষতা বিকাশৰ হাৰ কম বেছি পৰিমাণে ৮০ শতাংশতকৈও অধিক। এই ক্ষেত্ৰত আমাৰ চুবুৰীয়া দেশ চীনেও দক্ষতা বিকাশৰ ক্ষেত্ৰত লক্ষনীয়ভাৱে বহু দিশত আগবাঢ়ি গৈছে। আনহাতে আমাৰ দেশ ভাৰতবৰ্ষৰ দক্ষতা বিকাশৰ হাৰ ২ শতাংশ মাত্ৰ।

উন্নত দেশবোৰৰ দক্ষতা বিকাশৰ সফলতাৰ আঁৰত আছে তেওঁলোকৰ সুচিন্তিত আৰু পুনৰ নিৰ্মিত শিক্ষানীতি। এই দেশবোৰে বিশ্ব অৰ্থনীতি অথবা আৰ্থ সামাজিক দিশত দেশখনক শক্তিশালী ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ গুণগত শিক্ষাৰ ওপৰত গভীৰ আস্থা আৰু গুৰুত্ব প্ৰদান কৰে। তেওঁলোকে ভাবে "The quality of our life and that of what we 'produce' 'think' or 'built' depend precisely on the quality of our thought"

নিজ হাতেৰে কিবা এটা বস্তু সাজিব পৰা, নিজে কৰি খাব পৰা, কিবা এটা দক্ষতা লাভৰ উপায় উদ্ভাৱন তেওঁলোকৰ শিক্ষা ব্যৱস্থাত আছে। উৎপাদনমুখী, সৃষ্টিমুখী শিক্ষা দিয়াৰ বাবে সকলো প্ৰকাৰৰ প্ৰচেষ্টা বা গৱেষণা এই দেশ সমূহৰ শিক্ষা চিন্তাত আগস্থান পাইছে। অভিযান্ত্ৰিক মেডিকেল, জৈৱ প্ৰযুক্তি, নেন প্ৰযুক্তি, ব্যৱসায়, সমাজ বিজ্ঞান, বাণিজ্য, ক্ৰীড়া, কলা-সংগীত সকলো দিশতে আগবাঢ়ি যোৱাৰ কৌশল, আঁচনি দেশৰ প্ৰয়োজন বা বিশ্ব অৰ্থনীতিৰ দাবী অনুসৰিয়েই নিৰ্মাণ কৰিছে।

শিক্ষাৰ যোগেদি উন্নয়নৰ ধাৰণাক আন্তৰিকতাৰে কাৰ্যকৰী কৰাটো এই দেশবোৰৰ প্ৰগতিৰ মূলমন্ত্ৰ। উন্নত দেশ সমূহৰ আন আন এক অতি গুৰুত্বপূৰ্ণ দিশ হ'ল শিক্ষকতাৰ সেৱাত নিয়োজিত হোৱা ব্যক্তিসকলৰ কৰ্মদক্ষতা। এওঁলোকৰ দায়িত্ব অতি গধুৰ আৰু গুৰুত্বপূৰ্ণ। শিক্ষাগুৰুজন নিজেই এজন শিকাৰু হোৱাৰ উপৰিও

এজন সুদক্ষ অভিযোজক (Adaptor) আৰু নতুন নতুন জ্ঞানৰ বিষয়ে অৱগত হোৱাটো বা তথ্য সংগ্ৰহত পাৰদৰ্শী হোৱাটো বাঞ্চনীয়। শিক্ষাৰ্থীসকলৰ জ্ঞানক ত্বৰান্বিত কৰিবলৈ সুপৰিকল্পিত কৌশল নিৰ্মাণত তেওঁলোক সদায় প্ৰস্তুত আৰু সজাগ থাকে।

'The brain loves novelty and new setting' সেয়েহে শিক্ষাগুৰুসকলেও জ্ঞান আহৰণৰ প্ৰাত্যাহিক জীৱনৰ অভিজ্ঞতাৰ লগত জড়িত সকলো কৌশল আৰু পৰিৱেশ সৃষ্টিৰে শিক্ষাৰ্থীসকলৰ উৎসাহক প্ৰেৰণা যোগায় থাকে। গুণগত আৰু আদৰ্শগত দিশত উন্নত দেশসমূহৰ শিক্ষাগুৰুসকলৰ সৃজনশীলতা, বৌদ্ধিক উৎকৃষ্টতা সমাজ আৰু ৰাষ্ট্ৰক উপকৃত কৰাকৈ নতুন চিন্তাৰ প্ৰয়োগত দক্ষতা আদি বৈশিষ্ট্যবোৰ মন কৰিবলগীয়া।

বিশ্বায়নৰ প্ৰেক্ষাপটত একবিংশ শতিকাৰ আৰম্ভণিতে আমাৰ দেশ ভাৰতবৰ্ষও আৰ্থসামাজিক দিশত আমূল পৰিবৰ্তনৰ লক্ষ্য ৰাখি কিছু নতুন শিক্ষানীতি বিশেষকৈ উচ্চ শিক্ষানীতি সংযোগ কৰি পৰিবৰ্তনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। উচ্চ শিক্ষাত ব্যাপক বিনিয়োগ, জ্ঞান আয়োগকে মুখ্য কৰি বহু আয়োগ তথা বিশেষজ্ঞ সমিতি গঠন কৰিছে। কিন্তু গুণগত দিশত উন্নত দেশসমূহৰ লগত ইয়াৰ তুলনা আশাপদ নহয়। বিশ্ব ৰাজনীতিত বৰ্ত্তি থাকিবলৈ আৰু ৰাষ্ট্ৰক উপকৃত কৰাকৈ নতুন চিন্তাৰ প্ৰয়োগ কাৰ্যকৰী হৈছে নে নাই সেইটো নিশ্চিত হ'ব লাগিব। বৰ্ত্তমান আমাৰ দেশত ব্যক্তিগত বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদি আকৰ্ষণীয়ভাৱে বৃদ্ধি পাইছে। এইবোৰে আমাক সততে আকৰ্ষিত কৰাও দেখা গৈছে। কিন্তু এই শিক্ষানুষ্ঠানকে ধৰি যিবোৰ শিক্ষাকেন্দ্ৰ আছে সেইবোৰত প্ৰকৃততে মানৱ সম্পদ কেনেদৰে গঢ়ি উঠিব তাৰ কোনো বিশেষ কাৰ্যকৰী নীতি দেখা নাযায়। উন্নত দেশসমূহৰ দৰে সময়ৰ লগত খাপ খাব পৰাকৈ দক্ষতা বিকাশ বা গুণগত দিশত উৎকৃষ্ট মান এই শিক্ষানুষ্ঠানবোৰে দিব পৰা নাই। আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থা আমাৰ শিক্ষাৰ্থীসকল স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত বা সমস্যা সমাধানৰ বাবে প্ৰয়োজন হোৱা জ্ঞান আৰু উদ্ভাৱনী কৌশল সৃষ্টিত সহায়ক নহয়। বৰং বহুক্ষেত্ৰত সমস্যাৰহে সৃষ্টি কৰা দেখা যায়।

বৰ্তমান বিশ্ব অৰ্থনীতিত দক্ষতা নিৰ্মাণ এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে আগস্থান পাইছে। বহুমুখী দক্ষতাৰে পূৰ্ণ মানৱ সম্পদে দেশবোৰৰ উন্নয়নৰ হাৰ বৃদ্ধিত চমকপদ সুফল প্ৰদান কৰিছে। বিশ্ব অৰ্থনীতিত শক্তিকেন্দ্ৰ হিচাপে প্ৰতিষ্ঠিত হ'বলৈ হ'লে আমাৰ দেশখনেও আমাৰ মানৱ সম্পদক কৰ্মদক্ষ শক্তিলৈ ৰূপান্তৰিত কৰিব যে লাগিব সেইটো নিশ্চিত।

বৰ্তমান ভাৰতবৰ্ষক তুলনামূলকভাৱে এখন যুৱ শক্তিৰ দেশ বুলি কোৱা হয়। কাৰণ ভাৰতৰ মুঠ জনসংখ্যাৰ ৫৪ শতাংশ লোকেই ২৫ বছৰ বয়সৰ তলৰ। ২০২০ চনত এই গড় বয়সৰ হাৰ হ'বগৈ ২৯ বছৰ। পিছে আমাৰ দেশৰ জনসংখ্যাৰ এনে গড় হিচাপক লৈ গৌৰব কৰো যদিও বাস্তৱ ক্ষেত্ৰত এই যুৱ মানৱ সম্পদৰ পৰা পাব পৰা লাভাংশ আদায়ত দেশখন সাংঘাটিক ধৰণে পিছ পৰি আছে। আৰ্থ সামাজিক আৰু জনসংখ্যাৰ ফালৰ পৰা ভাৰতৰ দক্ষতা বিকাশৰ হাৰ মাত্ৰ ২ শতাংশ, যিটো উন্নত অৰ্থনীতিৰ দেশ সমূহৰ তুলনাত তেনেই নগন্য।

আমাৰ দেশৰ চৰকাৰী বিভাগ, বেচৰকাৰী প্ৰতিষ্ঠান বা উদ্যোগ আদিত যিখিনি মানুহক কাম কৰাৰ বাবে যোগ্য বিবেচিত হয়, সেই মানুহখিনিৰ বয়স ১৫ বছৰৰ পৰা ৫৯ বছৰ। সমীক্ষা অনুসৰি বিভিন্ন বিভাগত চাকৰিত নিযুক্ত এই মানুখিনিৰ ৩৮ শতাংশই অশিক্ষিত। ২৫ শতাংশৰ শিক্ষাগত অৰ্হতা নিম্ন প্ৰাথমিক অথবা উচ্চ প্ৰাথমিক পৰ্যায়ৰ। বাকী ৩৬ শতাংশ কৰ্মচাৰীৰ শিক্ষা মাধ্যমিক আৰু উচ্চ শিক্ষাৰ অৰ্ন্তভূক্ত। লক্ষনীয় বিষয় এইটোৱে ভাৰতবৰ্ষৰ ৮০ শতাংশ মানৱ সম্পদৰে চাহিদা অনুসৰি গোলকীয় মানদণ্ডৰ নিৰ্দ্দিষ্ট দক্ষতা নাই।

ভাৰতবৰ্ষত বৰ্তমান ১১৫০০ বৃত্তিমুখী প্ৰশিক্ষণ কেন্দ্ৰ (ITI) আছে। কিন্তু ভাৰতবৰ্ষৰ নিবনুৱা সমস্যাৰ মোকাবিলা কৰিবলৈ ই পৰ্যাপ্ত নহয়। ভাৰতৰ বৃদ্ধিত জনসংখ্যা অনুসৰি দক্ষতা বিকাশৰ বাবে অতি কমেও ৫০,০০০ এনে প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰয়োজন হয়। মন কৰিবলগীয়া বিষয় এইটোৱে যে আমাৰ দেশত কাৰিকৰী দিশত প্ৰয়োজন হোৱা প্ৰশিক্ষণ কেন্দ্ৰবোৰতকৈ বহু বেছি বিদ্যালয় আৰু কলেজ আছে। য'ত বৃত্তিমুখী শিক্ষা দিয়াৰ কোনো ব্যৱস্থা নাই। ভাৰতবৰ্ষত বৰ্তমান ৩৫,০০০ মহাবিদ্যালয় আৰু ৬৬০ খনতকৈও অধিক বিশ্ববিদ্যালয় আছে। আমাৰ National Skill Qualification Frame work (NSQF) অনুসৰি মূলসুঁতিৰ শিক্ষাত বৃত্তিমুখী শিক্ষা দিয়াৰ কথা কৈছে যদিও এতিয়ালৈকে ইয়াক কাৰ্যকৰী কৰা দেখা নাই। উল্লেখনীয় যে আমাৰ দেশৰ বেছিভাগ

বিশ্ববিদ্যালয়তে বৃত্তিমুখী শিক্ষাৰ বিভাগ নাই। সম্প্ৰতি দক্ষতা বিকাশ কেন্দ্ৰ আৰম্ভ কৰাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে (UGC) কিছু অৰ্থ সাহায্য আগবঢ়াইছে যদিও তেনেই সামান্য।

অতি সম্প্ৰতি ভাৰতৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ ভিতৰত আৰু ভাৰতৰ বাহিৰৰ বিভিন্ন ঠাইত তিনিটা শব্দ সঘনাই উল্লেখ কৰা দেখা যায়। Demand, Demography আৰু Democratic যিটোৰ লগত বৃত্তিমুখী শিক্ষা সংপৃক্ত। গোলকীকৰণ জ্ঞান আৰু প্ৰতিযোগিতা তীব্ৰতৰ কৰি তুলিবলৈ হ'লে আমাৰ দেশখনেও উচ্চ মাণদণ্ডসম্পন্ন দক্ষ মানৱ সম্পদ গঢ়ি তোলাত মনোনিবেশ কৰিব লাগিব। অন্যথা প্ৰধান মন্ত্ৰীৰ 'Make in India' ৰ সপোন সপোন হৈয়ে থাকিব। শেষত বিখ্যাত দাৰ্শনিক পণ্ডিত ৰাচেলৰ উক্তিৰে কওঁ — Through education we need to pass on the message to the society that to maintain the quality it requires, commitment, acceptance, reverence and eloquence. It is not the quality of education but the quality is important. ◆◆

# কেৰিয়াৰ আৰু ছাত্ৰ-ছাত্ৰী

ড° বুলজিৎ বুঢ়াগোহাঁই

সাধাৰণতে প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰী হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত উচ্চতৰ মাধ্যমিক কলা, বিজ্ঞান নে বাণিজ্য শাখাত নামভৰ্তি কৰিব নতুবা বৃত্তিমুখী (Vocational) শিক্ষা গ্ৰহণ কৰিব, সেইটো সিদ্ধান্ত লওতে বিবুদ্ধিত পৰে আৰু উচ্চতৰ মাধ্যমিকৰ কোনটো শাখা নিৰ্বাচন কৰিলে সোনকালে চাকৰি পোৱা যাব সেই বিষয়েও জানিব বিচাৰে। তলত কেৰিয়াৰ বিষয়ে কিছু কথা আলোচনা কৰা হৈছে। আশা কৰিছো ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব।

যিকোনো মহাবিদ্যালয়/বিশ্ববিদ্যালয়ত নামভৰ্তি কৰাৰ পূৰ্বে শিক্ষানুষ্ঠানসমূহৰ বৈধতা/ডিগ্ৰীৰ মৰ্যাদা/ব্যৱস্থা/স্বীকৃতিপ্ৰাপ্তিৰ মৰ্যদা আদিৰ সবিশেষ তথ্য বিভিন্ন শিক্ষা বিষয়ক পৰিষদ/সংস্থা আদিৰ বেবচাইটৰ পৰা লাভ কৰিব পাৰি। যেনে মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয় (www.education.nic.in), বিশ্ববিদ্যালয় অনুদান আয়োগ (www.ugc.ac.in), ৰাষ্ট্ৰীয় মূল্যাঙ্কণ আৰু স্বীকৃতি পৰিষদ (wwwnaac.gov.in), নিখিল ভাৰত কাৰিকৰী শিক্ষা পৰিষদ (www.aicte-india.org), ভাৰতীয় বিশ্ববিদ্যালয় সংস্থা (www.aiuweb.org), দূৰ শিক্ষা পৰিষদ (www.dec.ac.in), ভাৰতীয় নাৰ্ছিং পৰিষদ (http://indiannursingcouncil.org), ভাৰতীয় বাৰ পৰিষদ (www.barcouncilofindia.org) আদি। শিক্ষানুষ্ঠানসমূহ এই পৰিষদ বা সংস্থাবোৰৰ স্বীকৃতিপ্ৰাপ্ত হোৱাৰ উপৰি যি বিভাগত অধ্যয়ন কৰিব বিচাৰে, সেই বিভাগটিও স্বীকৃতিপ্ৰাপ্ত হ'ব লাগিব। তদুপৰি উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে প্ৰতিষ্ঠিত হৈছে তাৰো এটা সম্যক ধাৰণা লোৱা উচিত। সেইদৰে শিক্ষানুষ্ঠআনখনৰ শিক্ষণ ব্যৱস্থা, উত্তীৰ্ণৰ হাৰ, নামভৰ্তিৰ প্ৰক্ৰিয়া, পুথিভঁৰাল, ইণ্টাৰনেট সেৱা, থকাৰ সা-সুবিধা, আৰ্থিক সাহায্য লাভৰ সুবিধা আছেনে নাই তথা বিভিন্ন মাছুলৰ পৰিমাণৰ বিষয়েও জানি লোৱা উচিত। ইয়াৰ উপৰি জানিব লগা আন দিশবোৰৰ কিছুমান হ'ল— শিক্ষানুষ্ঠানখন চৰকাৰী নে বেচৰকাৰী আৰু সুৰক্ষিত স্থানত অৱস্থিত হয় নে নহয়, শিক্ষানুষ্ঠানখনৰ আকাৰ কেনেকুৱা অৰ্থাৎ ছাত্ৰ আৰু শিক্ষকৰ অনুপাত কিমান, ঘৰৰ পৰা শিক্ষানুষ্ঠানৰ দূৰত্ব, কেম্পাচ ইণ্টাৰভিউ হয় নে নহয়, খেলা-ধূলাকে আদি কৰি অন্যান্য extra-curricular activities কৰিবৰ বাবে সুবিধা আছে নে নাই ইত্যাদি। লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সংগঠন (Alumni Network) কিমান শক্তিশালী সেই বিষয়েও জানি লোৱাটো উচিত যিহেতু এই সংগঠন শক্তিশালী হ'লে শিক্ষাৰ্থীসকলৰ চাকৰি লাভ কৰাটো অধিক সুবিধা হয়।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত উচ্চতৰ মাধ্যমিকৰ শাখা নিৰ্বাচনৰ বিষয়ে আলোচনা কৰাৰ আগতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে, কলা, বিজ্ঞান বা বাণিজ্য যিকোনো শাখাতে খৰচি মাৰি পঢ়ি ভালদৰে উত্তীৰ্ণ হৈ নিজৰ দক্ষতা প্ৰকাশ কৰিব পাৰিলে ছাত্ৰ-বা ছাত্ৰীগৰাকীয়ে সংস্থাপনৰ সুবিধা লাভ কৰিব পাৰে। সাধাৰণতে, হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল নম্বৰসহ উত্তীৰ্ণ হ'লেই ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান শাখাত নামভৰ্তি কৰাৰ বাবে নিজে সিদ্ধান্ত গ্ৰহণ কৰে অথবা কোনো কোনো ক্ষেত্ৰত অভিভাৱকসকলেও জোৰ কৰি উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত নামভৰ্তি কৰিবৰ বাবে বাধ্য কৰায়, কিন্তু এনে হোৱা উচিত নহয়। ছাত্ৰ-ছাত্ৰীসকলৰ কোনো বিষয়ৰ প্ৰতি থকা ৰাপ তথা আত্মবিশ্বাসৰ ওপৰত ভিত্তি কৰিহে উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান নে কলা নে বাণিজ্য শাখাত নামভৰ্তি কৰিব তাৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে, নম্বৰৰ ওপৰত ভিত্তি কৰি নহয়। যিহেতু বিভিন্ন কাৰণত আগ্ৰহ থকা বিষয়বোৰত ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে আশা কৰামতে নম্বৰ লাভ নকৰিবও পাৰে। যদি ছাত্ৰ বা ছাত্ৰীগৰাকীৰ গণিত বিষয়ত ৰাপ আছে তেন্তে বিজ্ঞান অথবা বাণিজ্য শাখাত নামভৰ্তি কৰিব পাৰে। সেইদৰে সাহিত্য বিষয়ত আগ্ৰহীসকলে কলা শাখাত নামভৰ্তি কৰিব পাৰে। কোনো ছাত্ৰ-ছাত্ৰীয়ে যদি গণিত আৰু সাহিত্য দুয়োটা বিষয়তে ৰাপ আছে তেন্তে গণিত বিষয়সহ কলা শাখাত নামভৰ্তি কৰিব পাৰে। সেইদৰে গণিতত ৰাপ থকা ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান শাখাৰ জীৱবিজ্ঞান বিষয়টি নোলোৱাকৈ বিজ্ঞান শাখাত নামভৰ্তি কৰিব পাৰে, একেদৰে জীৱবিজ্ঞান বিষয়ত ৰাপ থকা ছাত্ৰ-ছাত্ৰীয়ে গণিত বিষয়টি নোলোৱাকৈ উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত

নামভৰ্তি কৰিব পাৰে। কিন্তু এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে বিজ্ঞান শাখাত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলে গণিত তথা জীৱবিজ্ঞান দুয়োটা বিষয় নিৰ্বাচন কৰিলেহে ভৱিষ্যতে বহুক্ষেত্ৰত সুবিধা লাভ কৰিব পাৰিব। ইয়াৰ উপৰি কোনটো শাখাত কি কি বিষয় অন্তৰ্ভুক্ত হৈ আছে তথা সেইবোৰ বিষয় অধ্যয়ন কৰিলে ভৱিষ্যতে কেনেধৰণৰ কেৰিয়াৰ গঢ়াৰ সুবিধা লাভ কৰিব, সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলে এক সম্যক ধাৰণা যুগুতাই ল'ব পাৰিলে শাখা নিৰ্বাচন কৰাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব। ইয়াৰ উপৰি শাখা নিৰ্বাচন কৰোতে ছাত্ৰ-ছাত্ৰীসকলে হবি (hobby)বোৰকো গুৰুত্ব প্ৰদান কৰিব লাগে। কিয়নো এই হবিসমূহেই ছাত্ৰজীৱন, কৰ্মজীৱন তথা অৱসৰ জীৱনত বিভিন্ন ধৰণে সহায় কৰিব পাৰে। কোনো ব্যক্তিৰ ভৱিষ্যত জীৱনত হয়তো হবিয়েই এদিন কেৰিয়াৰ হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ শাখা নিৰ্বাচন কৰাৰ ক্ষেত্ৰত অভিভাৱকসকলৰ আৰ্থিক অৱস্থায়ো এক বিশেষ ভূমিকা গ্ৰহণ কৰে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে সোনকালে উপাৰ্জন কৰিব বিচাৰে তেওঁলোকে বৃত্তিমুখী শিক্ষা গ্ৰহণ কৰিব পাৰে। শেষত ছাত্ৰ-ছাত্ৰীসকলে শাখা নিৰ্বাচন কৰোতে কেৰিয়াৰ বিশেষজ্ঞৰ সহায়ো ল'ব পাৰে।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ১/ ঔদ্যোগিক প্ৰশিক্ষণ বা প্ৰতিষ্ঠান বা আই টি আইৰ বিভিন্ন ট্ৰেডত, ২/ পলিটেকনিকৰ বিভিন্ন বিভাগত ৩/ উচ্চতৰ মাধ্যমিকৰ বিভিন্ন শাখাত (কলা/বাণিজ্য/বিজ্ঞান) পঢ়িব পাৰে।

**ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান বা আই টি আই ঃ** ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান বা আই টি আইৰ বিভিন্ন ট্ৰেডত পঢ়িবলৈ শিক্ষাগত অৰ্হতা বেলেগ বেলেগ হয়। আই টি আইত নামভৰ্তিৰ বাবে আবেদন অনলাইনযোগেদি কৰিব লাগে। ইয়াৰ ৱেবছাইট ঠিকনাটো হ'ল www.itiassam.nic.in। আবেদন কৰোতে এটা ই-মেইল আই ডি আৱশ্যক হয়। গতিকে প্ৰাৰ্থীসকলে এটা ই-মেইল আই ডি খোলাৰ প্ৰয়োজন আছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ নোহোৱাসকলে ইঞ্জিনীয়াৰিং ট্ৰেডৰ এবছৰীয়া পাঠ্যক্ৰম ৱেল্ডাৰ আৰু দুবছৰীয়া পাঠ্যক্ৰম ৱায়াৰমেন ট্ৰেডত অধ্যয়নৰ বাবে নামভৰ্তি কৰিব পাৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাসকলে তলত উল্লেখ কৰা ট্ৰেডত অধ্যয়নৰ বাবে নামভৰ্তি কৰিব পাৰে।

ইঞ্জিনীয়াৰিং ট্ৰেডৰ দুবছৰীয়া পাঠ্যক্ৰম— ফিটাৰ, টাৰ্নাৰ, মেচনিষ্ট, ইলেক্ট্ৰিচিয়ান, মটৰ ভেহিকল মেকানিক, ইলেক্ট্ৰনিক্স মেকানিক, ইনষ্ট্ৰমেন্ট মেকানিক, ইনফৰমেচন কমিউনিকেচন টেকন'ল'জি চিষ্টেম মেইনটেনেন্স, ড্ৰাফটমেন চিভিল, ড্ৰাফটমেন মেকানিক, এগ্ৰিকালছাৰেল মেচিনাৰী মেকানিক, ৰিফ্ৰিজেৰেচন এণ্ড এয়াৰ কণ্ডিচনাৰ মেকানিক, অ'টু ব'ডি পেন্টিং মেকানিক, অ'টু ব'ড ৰিপেয়াৰ মেকানিক, কেমিকেল প্লাণ্ট মেইনটেনেন্স মেকানিক।

ইঞ্জিনীয়াৰিং ট্ৰেডৰ এবছৰীয়া পাঠ্যক্ৰম— ডিজেল ইঞ্জিন মেকানিক, ট্ৰেক্টৰ মেকানিক, ছাৰ্ভেয়ৰ, প্লাষ্টিক প্ৰচেচিং অপাৰেটৰ, পাম্প অপাৰেটৰ কাম মেকানিক, প্লাষ্টিক প্ৰচেছিং, কনষ্ট্ৰাকচন এণ্ড উড ৱৰ্কছ, ইনফৰমেচন টেকন'ল'জী, ফেব্ৰিকেচন (ফিটিং এণ্ড ৱেল্ডিং), প্লাম্বাৰ।

ন'ন ইঞ্জিনীয়াৰিং ট্ৰেডৰ এবছৰীয়া পাঠ্যক্ৰম— ষ্টেনোগ্ৰাফা এণ্ড ছেক্ৰেটেৰিয়েল প্ৰেকটিচ, ছেক্ৰেটেৰিয়েল প্ৰেকটিচ, ছুয়িং টেকন'লজী, ড্ৰেছ মেকিং, বেচিক ক'ছমেট'লজী, কম্পিউটাৰ অপাৰেটৰ এণ্ড প্ৰগেমিং এচিছটেণ্ট, ফটোগ্ৰাফা, এমব্ৰইডাৰী।

ন'ন ইঞ্জিনীয়াৰিং ট্ৰেডৰ এটা চিমেষ্টাৰ পাঠ্যক্ৰম— বড়ো টাইপৰাইটিং।

ইয়াৰ উপৰি আই টি আইবোৰত হ্ৰস্বম্যাদী পাঠ্যক্ৰম আছে। যেনে ট্ৰেভেল এজেণ্ট এণ্ড ট্যুৰ অপাৰেটৰৰ তিনিমহীয়া পাঠ্যক্ৰম, ফল-মূল আৰু শাক-পাচলি সংৰক্ষণৰ তিনিমহীয়া পাঠ্যক্ৰম, ষ্টীল ফাৰ্নিচাৰ মেকিঙৰ তিনিমহীয়া পাঠ্যক্ৰম, গ্ৰীল এণ্ড এলাইড প্ৰডাক্ট মেকিঙৰ তিনিমহীয়া পাঠ্যক্ৰম, কাৰ ছাৰ্ভিচিঙৰ ছয় সপ্তাহৰ পাঠ্যক্ৰম, ৰিফ্ৰিজাৰেটৰ এণ্ড এয়াৰ কণ্ডিচনাৰৰ ৰিপেয়াৰিঙৰ তিনিমহীয়া পাঠ্যক্ৰম, পাম্প ৰিপেয়াৰিঙৰ তিনিমহীয়া পাঠ্যক্ৰম আদি আছে।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'লে নম্বৰ ভিত্তিত পোনপটীয়াকৈ নামভৰ্তিৰ সুবিধা আছে আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ নহ'লেও অষ্টম শ্ৰেণী উত্তীৰ্ণ হোৱা নম্বৰৰ ভিত্তিত নামভৰ্তিৰ সুবিধা আছে।

ডাইৰেক্টৰ অৱ্ এমপ্লয়মেণ্ট এণ্ড ট্ৰেইনিঙৰ অধীনত অসমত ২৮ খন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান বা আই টি আই আছে। ইয়াৰে ৫ খন আই টি আই মহিলাৰ বাবে সংৰক্ষিত। এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে বাকী আই টি আইবোৰতো মহিলাই প্ৰশিক্ষণ গ্ৰহণ কৰিব পাৰে।

অসমত থকা ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ বা আই টি আইকেইখনৰ নাম হ'ল— ১/ আই টি আই কৰিমগঞ্জ, ২/ আই টি আই কোকৰাঝাৰ, ৩/ আই টি আই গড়গাঁও, ৪/ আই টি আই গোৱালপাৰা, ৫/ আই টি আই গুৱাহাটী, ৬/ আই টি আই ডিব্ৰুগড়, ৭/ আই টি আই, তেজপুৰ, ৮/ আই টি আই তিনিচুকীয়া, ৯/ আই টি আই দক্ষিণ শালমাৰা,

১০/ আই টি আই নগাঁও, ১০/ আই টি আই বঙাইগাঁও, ১২/ আই টি আই বৰপেটা, ১৩/ আই টি আই যোৰহাট, ১৪/ আই টি আই শিলচৰ, ১৫/ আই টি আই ধনশিৰি, ১৬/ আই টি আই ধেমাজি, ১৭/ আই টি আই নলবাৰী, ১৮/ আই টি আই ভেৰগাঁও, ১৯/ আই টি আই মৰিগাঁও, ২০/ আই টি আই হাইলাকান্দি, ২১/ আই টি আই মাজুলী, ২২/ আই টি আই ডিফু, ২৩/ আই টি আই হাফলং।

মহিলাৰ বাবে সংৰক্ষিত আই টি আইকেইখন হ'ল— ১/ আই টি আই শিলচৰ, ২/ আই টি আই গুৱাহাটী, ৩/ আই টি আই তিনিচুকীয়া, ৪/ আই টি আই মাজবাট, ৫/ আই টি আই উত্তৰ লখিমপুৰ।

**পলিটেকনিক ঃ** পলিটেকনিকবোৰত তিনি বছৰীয়া ডিপ্লমা পাঠ্যক্ৰম প্ৰদান কৰা হয়। পলিটেকনিক এডমিচন টেষ্ট [Polytechnic Admission Test(PAT)] নামৰ এটি প্ৰৱেশ পৰীক্ষাৰ জৰিয়তে এই পাঠ্যক্ৰমত নামভৰ্তিৰ সুবিধা আছে। এই পৰীক্ষাত বহিবৰ বাবে সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত গণিত আৰু বিজ্ঞান বিষয়ত ন্যূনতম ৪০ শতাংশ, অনুসূচিত জাতিৰ প্ৰাৰ্থীয়ে ৩৫ শতাংশ আৰু জনজাতিৰ প্ৰাৰ্থীয়ে ৩৩ শতাংশ নম্বৰসহ উত্তীৰ্ণ হ'ব লাগিব আৰু পৰীক্ষা অনুষ্ঠিত হোৱা বৰ্ষৰ ১ আগষ্টত সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীৰ বয়স ২০ বছৰৰ ভিতৰত হ'ব লাগে আৰু অনুসূচিত জাতি আৰু জনজাতিৰ প্ৰাৰ্থীৰ বয়স ২৩ বছৰৰ ভিতৰত হ'ব লাগিব। এই প্ৰৱেশ পৰীক্ষা অনলাইন পদ্ধতিত আবেদন কৰিব লাগে। ইয়াৰ ৱেবছাইট ঠিকনাটি হ'ল- www.dteassam.in। এই প্ৰৱেশ পৰীক্ষাত গণিত আৰু বিজ্ঞান বিষয়ত মুঠ ১০০ নম্বৰ থাকে আৰু প্ৰশ্নসমূহ বস্তুনিষ্ঠধৰণৰ।

অসমত থকা পলিটেকনিককেইখন হ'ল— ১/ অসম ইঞ্জিনীয়াৰিং, গুৱাহাটী, ২/ গাৰ্লছ পলিটেকনিক, গুৱাহাটী, ৩/ বঙাইগাঁও পলিটেকনিক, ৪/ শিলচৰ পলিটেকনিক, ৫/ নগাঁও পলিটেকনিক, ৬/ প্ৰিন্স অব্ ৱেলছ ইনষ্টিটিউট অব ইঞ্জিনীয়াৰিং এণ্ড টেকন'লজি, যোৰহাট, ৭/ ডিব্ৰুগড় পলিটেকনিক, ৮/ গাৰ্লছ পলিটেকনিক, গোলাঘাট, ৯/ অসম টেক্সটাইল ইনষ্টিটিউট, গুৱাহাটী, ১০/ ডিফু পলিটেকনিক, ডিফু।

২০১৭-১৮ শিক্ষাবৰ্ষৰ পৰা নতুনকৈ আৰম্ভ হ'বলগীয়া পলিটেকনিককেইখন হ'ল— ১/ বাক্সা পলিটেকনিক, ২/ বৰপেটা পলিটেকনিক, ৩/ ধেমাজি পলিটেকনিক, ৪/ কৰিমগঞ্জ পলিটেকনিক, ৫/ লখিমপুৰ পলিটেকনিক, ৬/ গোলাঘাট পলিটেকনিক, ৭/ গোৱালপাৰা পলিটেকনিক, ৮/ নলবাৰী পলিটেকনিক, ৯/ কামৰূপ পলিটেকনিক, ১০/ শিৱসাগৰ পলিটেকনিক, ১১/ শোণিতপুৰ পলিটেকনিক।

পলিটেকনিকবোৰত পঢ়াৰ সুবিধা থকা বিভিন্ন বিভাগবোৰ হ'ল— এগ্ৰিকালচাৰ, চিভিল, মেকানিকেল, কেমিকেল, ইলেক্ট্ৰিকেল, ইলেক্ট্ৰনিক্স এণ্ড টেলিকমিউনিকেচনছ, কম্পিউটাৰ ইঞ্জিনীয়াৰিং, ইনষ্ট্ৰুমেনটেছন, টেক্সটাইল টেকন'লজি, ফেছন টেকন'লজি, গাৰমেণ্ট টেকন'লজি, এগ্ৰিকালছাৰ, আৰ্কিটেক্ট এচিছটেন্ট আদি।

**উচ্চ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ পিছত ঃ কলা শাখা**

উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণী কলা শাখাত উত্তীৰ্ণ হোৱাৰ পিছত কি কি পঢ়িব পাৰি ঃ সাধাৰণ স্নাতক পাঠ্যক্ৰম, মেজৰসহ (যেনে সমাজশাস্ত্ৰৰ,অৰ্থনীতি, সাহিত্য (ইংৰাজী, অসমীয়া, হিন্দী, বঙালী ইত্যাদি), মনোবিজ্ঞান, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, শিক্ষা, পৰ্যটন, পৰিবেশ কলা, নৃতত্ব বিজ্ঞান, আইন ইত্যাদি) স্নাতক পাঠ্যক্ৰম। স্নাতক পাঠ্যক্ৰমত উত্তীৰ্ণ হোৱাৰ পিছৰ পাঠ্যক্ৰম হ'ল— স্নাতকোত্তৰ (এম এ) আৰু পি এইচ ডি।

কলা শাখাত অধ্যয়ন কৰি মনোবৈজ্ঞানিক, সমাজবিজ্ঞানী, সমাজকৰ্মী, বুৰঞ্জীবিদ, নৃতত্ববিদ, লেখক, সাংবাদিক, অধিবক্তা, বিদ্যালয়/মহাবিদ্যালয়/বিশ্ববিদ্যালয়ৰ শিক্ষক হিচাপে কেৰিয়াৰ গঢ়িব পাৰে। কলা শাখাৰ যিকোনো স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীয়ে অসম লোকসেৱা আয়োগ (এ পি এছ চি)ৰ পৰীক্ষা, কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ পি এছ চি)ৰ পৰীক্ষা, বেংকিং খণ্ডৰ পৰীক্ষা আৰু অন্যান্য ইঞ্চিউৰেঞ্চৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে। দ্বাদশ শ্ৰেণীৰ যিকোনো শাখাত উত্তীৰ্ণ শিক্ষাৰ্থীয়ে পাঁচ বছৰীয়া সংযুক্ত আইনৰ স্নাতক পাঠ্যক্ৰম আৰু হোটেল পৰিচালনা (হোটেল মেনেজমেণ্ট) পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে। দ্বাদশ শ্ৰেণীৰ যিকোনো শাখাত উত্তীৰ্ণ শিক্ষাৰ্থীয়ে পাঁচ বছৰীয়া সংযুক্ত ইংৰাজী/গণসংযোগ/বিদেশী ভাষাৰ স্নাতকোত্তৰ পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে।

অবিবাহিত ভাৰতীয় নাগৰিকে ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা শিক্ষা প্ৰতিষ্ঠান (এন ডি এ)ত নামভৰ্তি কৰিব পাৰে যদিহে ভাৰতীয় সেনাবাহিনীত যোগদানৰ ইচ্ছা থাকে। যিকোনো শাখাত দ্বাদশ শ্ৰেণীৰ উত্তীৰ্ণসকলে ইউ পি এছ চিৰ অধীনত অনুষ্ঠিত এন ডি এ পৰীক্ষাত বাছনি হৈ এই প্ৰতিৰক্ষা শিক্ষা প্ৰতিষ্ঠানত নামভৰ্তি কৰিব পাৰে।

যিকোনো শাখাত দ্বাদশ শ্ৰেণীৰ উত্তীৰ্ণসকলে ফাইন আৰ্টছ, দৃশ্য কলা (ভিজুৱেল আৰ্টছ), আভ্যন্তৰীণ সজ্জা (ইন্টেৰিয়'ৰ ডিজাইন), প্ৰায়োগিক কলা (এপ্লাইড আৰ্ট), ফেছন ডিজাইন, অলংকাৰ সজ্জা (জুৱেলাৰী ডিজাইন) ইত্যাদি পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে। যিসকল শিক্ষাৰ্থীৰ নৃত্য-

গীত, নাটকৰ প্ৰতি আসক্তি আছে বা ইয়াক আনুষ্ঠানিক পাঠ্যক্ৰম হিচাপে ল'ব বিচাৰে তেনে শিক্ষাৰ্থীয়ে পৰিৱেশ কলা স্নাতক পাঠ্যক্ৰম (বি এফ এ)ত নামভৰ্তি কৰিব পাৰে।

দ্বাদশ শ্ৰেণীৰ যিকোনো শাখাত উত্তীৰ্ণ যিসকল শিক্ষাৰ্থীয়ে নিজকে এগৰাকী শাৰীৰিক শিক্ষাৰ শিক্ষক, ক্ৰীড়া প্ৰশিক্ষক অথবা ফিটনেছ ট্ৰেইনাৰ হিচাপে কেৰিয়াৰ গঢ়িব বিচাৰে, তেওঁলোকে 'শাৰীৰিক শিক্ষা' বিষয়ৰ স্নাতক পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰে।

**উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ পিছত ঃ বাণিজ্য শাখা ঃ** উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণী বাণিজ্য শাখাত উত্তীৰ্ণ হোৱাৰ পিছত কি কি পঢ়িব পাৰি ঃ সাধাৰণ স্নাতক পাঠ্যক্ৰম, মেজৰসহ (যেনে ইন্সিউৰেন্স, কম্পিউটাৰ, বৈদেশিক বাণিজ্য, বেংকিং আৰু ইন্সিউৰেন্স, একাউন্টিং আৰু বিত্ত, ই-বাণিজ্য, অৰ্থনীতি আৰু একাউন্টিং ইত্যাদি) স্নাতক পাঠ্যক্ৰম।

স্নাতক পাঠ্যক্ৰম উত্তীৰ্ণ হোৱাৰ পিছৰ পাঠ্যক্ৰম হ'ল— স্নাতকোত্তৰ (এম কম) আৰু পি এইচ ডি। বাণিজ্য শাখাৰ যিকোনো স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীয়ে অসম লোকসেৱা আয়োগ (এ পি এছ চি)ৰ পৰীক্ষা, কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ পি এছ চি)ৰ পৰীক্ষা, বেংকিং খণ্ডৰ পৰীক্ষা আৰু অন্যান্য ইন্সিউৰেন্সৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।

চি এ (চাৰ্টাৰ্ড একাউণ্টেন্সি) ঃ ভাৰতীয় চাৰ্টাৰ্ড একাউনটেণ্ট প্ৰতিষ্ঠানে চাৰ্টাৰ্ড একাউণ্টেন্সিৰ শিক্ষা আগবঢ়ায়।

কষ্ট একাউণ্টেণ্ট ঃ 'ইনষ্টিটিউট অব্ কষ্ট এণ্ড ৱৰ্কছ একাউনটেণ্টছ অব্ ইণ্ডিয়া'ই এই পাঠ্যক্ৰম আগবঢ়ায়।

**উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণীৰ পিছত ঃ বিজ্ঞান শাখা ঃ** উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণী বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱাৰ পিছত কি কি পঢ়িব পাৰি ঃ সাধাৰণ স্নাতক পাঠ্যক্ৰম, মেজৰসহ (যেনে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, গণিত, অৰ্থবিজ্ঞান, জীৱবিজ্ঞান, প্ৰাণীবিজ্ঞান, পৰিৱেশ বিজ্ঞান ইত্যাদি) স্নাতক পাঠ্যক্ৰম।

স্নাতক পাঠ্যক্ৰমত উত্তীৰ্ণ হোৱাৰ পিছৰ পাঠ্যক্ৰম হ'ল— স্নাতকোত্তৰ (এম এছ চি) আৰু পি এইচ ডি।

বিজ্ঞান শাখাৰ যিকোনো স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীয়ে অসম লোকসেৱা আয়োগ (এ পি এছ চি)ৰ পৰীক্ষা, কেন্দ্ৰীয় লোকসেৱা আয়োগ (ইউ পি এছ চি)ৰ পৰীক্ষা, বেংকিং খণ্ডৰ পৰীক্ষা আৰু অন্যান্য ইন্সিউৰেন্সৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।

ষ্টাফ ছিলেকচন কমিছনৰ কম্বাইণ্ড গ্ৰেজুৱেট লেভেল পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে।

উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেণী বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱাৰ পিছত বি চি এ, বি বি এ, বি টেক, বি ই, বি আৰ্ক, এম বি বি এছ, বি ফাৰ্ম, বি এছ চি নাৰ্ছিং, আয়ুৰ্বেদিক, হোমিঅ'পেথিক, পশুপালন আৰু পশু চিকিৎসাৰ, কৃষি, মীন, গাৰ্হস্থ্যবিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰে।

উচ্চতৰ মাধ্যমিক বা দ্বাদশ শ্ৰেমী বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱাসকলে পেৰামেডিকেলৰ বিভিন্ন বিভাগত (Medical Laboratory Technology, Medical Radiographic Technology, Cardiac Care Technology, Physiotherapy, ICU Technology, Physicians Assistance Course, Emergency & First Aid, O.T. Technology (O.T. + Anaesthesia+Endoscopy), Dialysis Technician Course) ডিপ্লমা শিক্ষা গ্ৰহণ কৰিব পাৰে। ইয়াৰ বাবে উচ্চতৰ মাধ্যমিক (বিজ্ঞান শাখা) চূড়ান্ত পৰীক্ষাত পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞান বিষয়ত ৫০% নম্বৰ সৈতে উত্তীৰ্ণ হ'ব লাগে।

বেংক প্ৰবেচনাৰী অফিচাৰ পদৰ বাবে যিকোনো স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা যিকোনো সাখাত নিম্নতম শিক্ষাগত অৰ্হতা স্নাতকসকলে আবেদন কৰিব পাৰে।

বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা তথা নিযুক্তিৰ বাবে আয়োজন কৰা সাক্ষাৎবোৰত সাধাৰণ জ্ঞানৰ পৰীক্ষা লোৱা হয়। সাধাৰণ জ্ঞান যিহেতু একেদিনাই গোটোৱা সম্ভৱ নহয় ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ দীঘলীয়া প্ৰস্তুতিৰ প্ৰয়োজন। সাধাৰণ জ্ঞান দুই প্ৰকাৰত ভাগ কৰিব পৰা যায়। পৰম্পৰাগত সাধাৰণ জ্ঞান (Traditional General Knowledge) আৰু সাম্প্ৰতিক ঘটনা প্ৰবাহ (Current Affairs)। পৰম্পৰাগত সাধাৰণ জ্ঞান আহৰণ কৰিবলৈ বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে সকলো বিষয়ৰ পাঠ্যপুথি আৰু এই সকলোবোৰ বিষয়ৰ আনুষংগিক প্ৰসংগ পুথি অধ্যয়ন কৰিব লাগিব। সাম্প্ৰতিক ঘটনা প্ৰবাহৰ জ্ঞান আহৰণ কৰিবৰ বাবে দৈনিক বাতৰি কাকত তথা বিভিন্ন আলোচনী নিয়মীয়াকৈ পঢ়াৰ অভ্যাস গঢ়ি তুলিব লাগিব। যিহেতু দৈনিক বাতৰি কাকত এখনৰ প্ৰথম পৃষ্ঠাৰ পৰা শেষৰ পৃষ্ঠালৈকে জানিবলগীয়া বহুত কথা থাকে। সেইদৰে নিয়মীয়াকৈ ৰেডিঅ'ৰ বাতৰি অনুষ্ঠান শুনি আৰু টেলিভিছনৰ বাতৰি অনুষ্ঠানবোৰৰ পৰা আহৰণ কৰা জ্ঞানবোৰ লিপিবদ্ধ কৰি ৰাখিব লাগে। ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণ জ্ঞান আহৰণ কৰিবৰ বাবে ইণ্টাৰনেটৰো সহায় ল'ব পাৰে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ সাধাৰণ জ্ঞানৰ আৰ্হি প্ৰশ্নবোৰ সংগ্ৰহ কৰিব লাগে। ◆◆

# অসমৰ ৰাজহুৱা বিদ্যালয়বোৰৰ পুনৰুজ্জীৱিতকৰণ সম্ভৱ নে ঃ এক আলোকপাত

**নৰজ্যোতি নাথ**
বিজ্ঞান শিক্ষক, মায়ং

*"চৰকাৰী বিদ্যালয়ৰ অৱক্ষয়ৰ কাৰণসমূহৰ ভিতৰত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ অভাৱ, অনুপযুক্ত আন্তঃ গাঁথনি, ভুল শিক্ষানীতি, বিসংগতিমূলক পাঠ্যক্ৰম ছাত্ৰ-ছাত্ৰীৰ অনিয়মীয়া উপস্থিতি, ছাত্ৰ-ছাত্ৰীৰ নূন্যতম শৈক্ষিক পৰিবেশৰ অভাৱ আৰু অভিভাৱকৰ অমনোযোগিতা তথা অসহযোগিতা। এইবোৰৰ ভিতৰত অভিভাৱকৰ অসহযোগিতা আমাৰ দৃষ্টিত এই অৱক্ষয়ৰ এক অন্যতম কাৰণ। কিয়নো শিক্ষাক যদি এটা ত্ৰিভুজ বুলি ধৰা হয় তেন্তে ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱক, তিনিটা শীৰ্ষবিন্দু। সফল শিক্ষাৰ বাবে শিশু, শিক্ষক আৰু অভিভাৱকৰ মাজত সুসম্পৰ্ক নিতান্তই আৱশ্যকীয়।"*

ক্ৰমশঃ মূৰৰ পৰা গেলিছে ৰাজহুৱা বিদ্যালয়বোৰ। স্বাধীনোত্তৰ কালৰে পৰা চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰি আহিছে, নতুন নতুন শিক্ষানীতি প্ৰবৰ্তন কৰিছে। শিক্ষা অধিকাৰ আইনৰ দৰে আইন প্ৰচলন কৰি এই ভগ্নপ্ৰায় শিক্ষা ব্যৱস্থাটো টনকীয়াল কৰাত চৰকাৰে বিভিন্ন প্ৰয়াস অব্যাহত ৰাখিছে। কিন্তু বাস্তৱত কিমান দূৰ সফল এই শৈক্ষিক অভিযান? 'ডি পি ই পি' কিম্বা 'সৰ্বশিক্ষা' কোনোখন আঁচনিয়ে বৰ্তমান সময়লৈ সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাবলৈ সক্ষম হোৱা নাই।

বিশেষকৈ সৰ্বশিক্ষা অভিযানক বহু সংখ্যক লোকে সৰ্বনাশী অভিযান ৰূপেহে অভিহিত কৰিছে। 'মধ্যাহ্ন ভোজন', 'উত্তীৰ্ণ-অনুত্তীৰ্ণ' ব্যৱস্থাটোৰ বিলুপ্তিকৰণ এই দুটা দিশ, সৰ্বশিক্ষা অভিযানৰ সবাতোকৈ দুৰ্বল দিশ হিচাপে সৰ্বত্ৰে চৰ্চিত হৈছে। সকলো শ্ৰেণীৰ শিশুৰ বিদ্যালয়ত নামভৰ্তিৰ উদ্দেশ্যৰে তথা স্বাক্ষৰতাৰ হাৰ বৃদ্ধিৰ অৰ্থে উপৰোক্ত ব্যৱস্থা দুটা লোৱা হৈছিল। এই ব্যৱস্থা দুটাৰ জৰিয়তে কিছু নিৰ্দিষ্ট অঞ্চলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হৈছে যদিও শিক্ষাৰ গুণগত মান উন্নত হোৱা নাই। অপ্ৰিয় হ'লেও সত্য যে বহু বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কেৱল মধ্যাহ্ন ভোজনৰ বাবেহে বৃদ্ধি হৈছে। উত্তীৰ্ণ অনুত্তীৰ্ণ ব্যৱস্থাৰ বিলুপ্তিকৰণৰ ফলত ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতামূলক মনোভাৱ নাইকীয়া হৈ গৈছে। অৱশ্যে অসমৰ বৰ্তমানৰ শিক্ষামন্ত্ৰী মহোদয়ে পঞ্চম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ পূৰ্বৰ দৰে পৰীক্ষা অনুষ্ঠিত কৰি উত্তীৰ্ণ অনুত্তীৰ্ণ ব্যৱস্থাৰ পুনৰ প্ৰচলনৰ কথা ঘোষণা কৰিছে। মূলতঃ এই ব্যৱস্থাটোৰ সুযোগ গ্ৰহণ কৰি বহু ছাত্ৰ-

ছাত্ৰীয়ে ইংৰাজী, অসমীয়া আদিৰ সাধাৰণ বৰ্ণ পৰিচিতি নোহোৱাকৈ তথা গণিতৰ সম্যক জ্ঞান নোহোৱাকৈ প্ৰৱেশিকা পৰীক্ষাত অৱতীৰ্ণ হৈ আহিছে, যিটো অতি পৰিতাপৰ বিষয়। আচলতে সৰ্বশিক্ষাৰ নীতি অনুসৰি সকলো ছাত্ৰকে নিদানমূলক শিক্ষণৰ জৰিয়তে হলেও পৰৱৰ্তী শ্ৰেণীলৈ উত্তীৰ্ণ কৰাব লাগে, কিন্তু বাস্তৱক্ষেত্ৰত এয়া সম্ভৱ হৈ উঠা নাই। এতিয়া এনেবোৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বাৰু প্ৰৱেশিকা পৰীক্ষাত বিদ্যালয়ৰ এক সন্মানজনক উত্তীৰ্ণ হাৰ কেনেকৈ আশা কৰিব পাৰি? কিন্তু সকলোবোৰ দোষ কেৱল শিক্ষকলৈ ঠেলি শিক্ষমন্ত্ৰীয়ে শিক্ষকক ৰাজহুৱা ভাৱে অতি কঠোৰতাৰে (ব্যক্তিগত বিষয়টো) চোকা ভাষাৰে তিৰস্কাৰ কৰাটো একেবাৰে যুক্তিসংগত নহয়।

সম্প্ৰতি ৰাজহুৱা বিদ্যালয়ৰ এই অৱক্ষয়ৰ মূল কেৰোণবোৰ নিৰ্ণয় কৰি তাৰ প্ৰতিকাৰৰ দিহা কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। এই বিদ্যালয়বোৰৰ শৈক্ষিক মান বিশেষ অগ্ৰগতি হোৱাটো পৰিলক্ষিত হোৱা নাই। তাৰ পৰিবৰ্তে ব্যক্তিগত বিদ্যালয়বোৰৰ (ইংৰাজী/অসমীয়া দুয়ো ধৰণৰ বিদ্যালয়) দোপতদোপে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। বৰ্তমানে এই ব্যক্তিগত বিদ্যালয়বোৰৰ প্ৰসাৰতা আওহতীয়া অঞ্চলবোৰলৈও বৃদ্ধি পাইছে। সাধাৰণ শ্ৰেণীৰ লোকসকলৰো ব্যক্তিগত বিদ্যালয়বোৰৰ প্ৰতি আগ্ৰহ বৃদ্ধি পোৱাৰ বিপৰীতে ৰাজহুৱা বিদ্যালয়বোৰলৈ অনীহা উপজিছে। বিদ্যালয়বোৰৰ এই অৱক্ষয়ৰ কাৰণবোৰ দকৈ ফঁহিয়াই নোচোৱাকৈ, কেৱল শিক্ষকসকলকে জগৰীয়া কৰাটো সমীচিন নহ'ব। এতিয়া মূল কেৰোণবোৰ বিশ্লেষণ কৰি তাৰ সমাধান উলিওৱাৰ সময় সমাগত।

আন্তঃগাঁথনিৰ ফালৰ পৰা বহু ৰাজহুৱা বিদ্যালয়, বহু ব্যক্তিগত বিদ্যালয়তকৈ আগবঢ়া। অৱশ্যে এতিয়াও বহু ৰাজহুৱা বিদ্যালয় আছে য'ত নূন্যতম আন্তঃগাথনিৰো অভাৱ। একেবাৰে দুৰ্গম যাতায়ত ব্যৱস্তা, খোৱাপানী তথা বিদ্যুৎৰ অভাৱ ইত্যাদি বহু ৰাজহুৱা বিদ্যালয়ৰ প্ৰাথমিক সমস্যা। অভিজ্ঞতা ফালৰ পৰা ৰাজহুৱা বিদ্যালয়বোৰৰ শিক্ষক ব্যক্তিগত বিদ্যালয়তকৈ অভিজ্ঞ। ইয়াৰোপৰি ২০১২ চনত অসমৰ শৈক্ষিক জগতত এক বিপ্লৱৰ সূচনা কৰি সম্পূৰ্ণ স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে 'টেট' পৰীক্ষা অনুষ্ঠিত কৰি পোনপ্ৰথমবাৰলৈ ৰাজনৈতিক হস্তক্ষেপৰ পৰা সম্পূৰ্ণ মুক্ত কৈ নিম্ন আৰু উচ্চ প্ৰাথমিকত মুঠতে অৰ্ধ লক্ষাধিক অৰ্হতাসম্পন্ন মেধাৱী শিক্ষকক ঠিকাভিত্তিত নিযুক্তি দিয়া হয়। আশাকৰা হৈছিল ইয়ে এক নতুন যুগৰ সূচনা কৰিব। ছাত্ৰ-ছাত্ৰীবোৰৰো গুণগত মান বহু পৰিমাণে বৃদ্ধি পাব। কিন্তু আজি প্ৰকৃতাৰ্থত সেয়া জানো সম্ভৱ হৈ উঠিছে? এইসকল শিক্ষকো বাৰু কিয় সফল হ'ব পৰা নাই। বৰ্তমান ই এক জটিল সাথৰ। নিষ্ঠা সহকাৰে নিজা দায়িত্ব সমাপন কৰা নাইনে আন ক'ৰবাত সমস্যা আছে, নিশ্চয় ভাবিবলগীয়া।

'গুণোৎসৱ' অসম চৰকাৰৰ এবছৰীয়া কাৰ্যকালৰ এক যুগান্তকাৰী পদক্ষেপ। চৰকাৰী বিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগত গুণাগুণ নিৰূপনৰ উদ্দেশ্য ৮ খন জিলাক সাঙুৰি প্ৰথম পৰ্যায়ত মুঠতে ২৫% বিদ্যালয়ত গুণোৎসৱৰ সফল সামৰণি ঘটিছে। ইতিমধ্যে ইয়াৰ ফলাফলো ঘোষিত হৈছে। মুঠতে ১২,২৮৬ খন বিদ্যালয়ত (বৰপেটা, চিৰাং, ডিব্ৰুগড়, মৰিগাঁও, হাইলাকান্দি, কামৰূপ (মেট্ৰো), লখিমপুৰ, আৰু পশ্চিম কাৰ্বি আংলং) ৭,১৫,৯৩০ জন ছাত্ৰ-ছাত্ৰীক মূল্যায়ন কৰা হৈছিল। সৰ্বমুঠ ৭৭৭ খন অৰ্থাৎ ৬% বিদ্যালয়ে A+ গ্ৰেড, ২,৩২৩ খন অৰ্থাৎ ১৯% বিদ্যালয়ে A গ্ৰেড, ৩১০৬ খন অৰ্থাৎ ২৫% বিদ্যালয়ে B গ্ৰেড, ৩৩০২ খন অৰ্থাৎ ২৭% বিদ্যালয়ে C গ্ৰেড আৰু ২,৭৭৮ খনে অৰ্থাৎ ২৩% বিদ্যালয়ে D গ্ৰেড পাবলৈ সক্ষম হয়। ছাত্ৰ-ছাত্ৰীসকল ব্যক্তিগত ফলাফলো সিমান সন্তোষজনক নহয়।

এতিয়া C আৰু D গ্ৰেড পোৱা ছাত্ৰ-ছাত্ৰীবোৰৰ নিদানমূলক শিক্ষাৰ ব্যৱস্থা কৰাৰ কথা শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰিছে। কোনো এখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল যি বিষয়ত দুৰ্ব্বল সেইটো বিষয়ৰ শিক্ষকসকলৰ ওপৰোক্ত প্ৰশিক্ষণৰ দিহা কৰা হ'ব আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে নিদানমূলক পাঠদানৰ ব্যৱস্থা কৰা হ'ব। ইতিমধ্যে দ্বিতীয় পৰ্যায়ত গুণোৎসৱ অনুষ্ঠিত কৰাৰ দিহা কৰা হৈছে। এইটো উল্লেখনীয় যে প্ৰতিবছৰে এই গুণোৎসৱ অনুষ্ঠিত হ'ব। এতিয়া প্ৰশ্ন হ'ল এই 'গুণোৎসৱ' সঁচাকৈয়ে ভগ্নপ্ৰায় চৰকাৰী বিদ্যালয়বোৰৰ সংস্কাৰৰ ক্ষেত্ৰত এক যুগান্তকাৰী পদক্ষেপ হিচাপে চিহ্নিত হ'বনে? ক্ৰমশ মৃত্যুৰ ক্ষণ গণা চৰকাৰী বিদ্যালয়বোৰৰ বাবে এই গুণোৎসৱে মৃত সঞ্জীৱনীৰ ভূমিকা গ্ৰহণ কৰিবনে? এই বিদ্যালয়বোৰলৈ সাধাৰণ জনগণৰ আস্থা পুনৰাই ঘূৰি আহিবনে? শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰা অনুসৰি এই অৱক্ষয়ৰ একমাত্ৰ কাৰণ শিক্ষক সকলেই নে? শিক্ষামন্ত্ৰী তথা শিক্ষা বিভাগৰ বৰমূৰীয়াবোৰ ধোৱা তুলসীৰ পাত নেকি? সম্প্ৰতি এনেবোৰ বাৰেকুৰি প্ৰশ্নই সচেতন মহলক চিন্তিত তথা

সচকিত কৰি তুলিছে।

অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত সফল শিক্ষামন্ত্ৰী হিচাপে জনমানসত চিহ্নিত হোৱা ড° হিমন্ত বিশ্বশৰ্মা ডাঙৰীয়াই পুনৰাই এই জটিল আৰু সমস্যাবহুল অথচ অতি প্ৰয়োজনীয় বিভাগটোৰ দায়িত্বভাৰ লোৱাত সাধাৰণ ৰাইজৰ মুখত আশাৰ সঞ্চাৰ লৈছিল। তেখেত এজন ব্যতিক্ৰমী ৰাজনৈতিক নেতা হিচাপে জনমানসত ইতিমধ্যে স্বীকৃত হৈছে আৰু বেলেগৰ তুলনাত তেখেতৰ কৰ্ম আৰু কথাৰ মাজত প্ৰভেদ কম। কিন্তু আজি নতুন চৰকাৰে এবছৰ অতিক্ৰম কৰিলত চৰকাৰী বিদ্যালয়বোৰ গুণোৎসৱৰ বাহিৰে তেনে কোনো বিশেষ প্ৰয়াস তথা পৰিবৰ্তন পৰিলক্ষিত নহ'ল।

চৰকাৰী বিদ্যালয়বোৰৰ এই শ্মশানযাত্ৰাৰ অৱসান বাৰু কেতিয়া? এই বিদ্যালয়বোৰলৈ সঁচাকৈ ভাল দিন নাহিব নেকি? আমাৰ দৃষ্টিত এই অৱক্ষয়ৰ একমাত্ৰ কাৰণ শিক্ষকসকলেই নহয়। বৰ্তমান সৰহসংখ্যক শিক্ষকেই NCTE ৰ নিৰ্দেশনা অনুসৰি প্ৰয়োজনীয় সকলোধৰণৰ বৃত্তিগত অৰ্হতাৰ অধিকাৰী। তাৰোপৰি টেট উত্তীৰ্ণ শিক্ষকসকলৰ নিযুক্তিৰ পিছতো কোনো ধৰণৰ পৰিবৰ্তন নোহোৱা বুলি কোৱাটো সম্পূৰ্ণ শুদ্ধ নহ'ব। এই শিক্ষকসকলে নিজৰ ঘৰৰ পৰা বহু যোজন দূৰত বিশেষ ওজৰ আপত্তি নকৰাকৈ অতি দায়িত্ব সহকাৰে পাঁচবছৰীয়া ঠিকা সমাপন কৰিছে। বহু শিক্ষকেই ৰুগীয়া আই পিতাক ঘৰত এৰি, নিতৌ পানী ভাঙি, বোকা গচকি, নাৱত উঠি নিজা কৰ্তব্য সূচাৰুকৈ সমাপন কৰি আহিছে, সেয়া পুৰুষেই হওক কিম্বা মহিলাই। চৰ অঞ্চলত কৰ্মৰত শিক্ষকসকলৰ মনৰ বেদনা নেদেখিলে অনুভৱ কৰাটো অসম্ভৱ। এই শিক্ষকসকলৰ সৰহভাগেই অসমৰ অগ্ৰণী ব্যক্তিগত বিদ্যালয়ত শিক্ষাদানৰ অভিজ্ঞতাৰে পুষ্ট। বৰ্তমান প্ৰায়বোৰ নিম্ন আৰু উচ্চ প্ৰথামিক বিদ্যালয়ত অতি কমেও এজন হ'লেও টেট উত্তীৰ্ণ শিক্ষক নিযুক্ত হৈ আছে। ইয়াৰ উপৰি বহু বছৰীয়া অভিজ্ঞতাৰে পুষ্ট জ্যেষ্ঠ শিক্ষকসকলেও অতি নিষ্ঠাৰে নিজৰ দায়িত্ব পালন কৰি আহিছে। কিন্তু ইয়াৰ মাজতে কিছু সংখ্যক শিক্ষক কৰ্মত গাফিলতি কৰি আহিছে, লগতে বিভিন্ন অনৈতিক কামত লিপ্ত হৈ সমগ্ৰ শিক্ষক সমাজকে কলংকিত কৰিছে। সেয়ে শিক্ষা বিভাগৰ পৰা শিক্ষকসকলক পৰ্যবেক্ষণ কৰি এনেবোৰ শিক্ষকৰ উপযুক্ত শাস্তিৰ ব্যৱস্থা কৰিব লাগে, ৰাইজেও এইক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰাটো অত্যন্তই আৱশ্যকীয়। লগতে কীৰ্তি শিক্ষক অৰ্থাৎ দায়িত্বশীল, পৰিশ্ৰমী তথা নিয়মানুৱৰ্তী শিক্ষকসকলক পুৰস্কৃত কৰিব লাগে। এইটো উল্লেখনীয় যে বৰ্তমানেও প্ৰতি বছৰে শিক্ষক দিবসৰ দিনা কীৰ্তি শিক্ষকক বঁটা প্ৰদান কৰা হয়, যদিও বহুক্ষেত্ৰত ৰাজনীতিৰ পয়োভৰ ঘটা দেখা যায়, যাৰ বাবে যোগ্যজন বঞ্চিত হৈ ৰয়। মুঠতে এই ৰাজহুৱা বিদ্যালয়বোৰ পুনৰজীৱিতকৰণৰ হেতু পোনপ্ৰথমে শিক্ষকসকলে দায়িত্ব ল'বই লাগিব আৰু অন্তঃকৰণৰে নিজৰ দায়িত্ব সুচাৰুৰূপে সমাপন কৰিব লাগিব। সদ্যঘোষিত গুণোৎসৱৰ ফলাফলত 'C'আৰু 'D' গ্ৰেড পোৱা বিদ্যালয়বোৰৰ শিক্ষকসকলৰ শাস্তিৰ কথা ঘোষণা কৰিছে। তেনেবোৰ বিদ্যালয়ত কৰ্মৰত ঠিকাভিত্তিক টেট উত্তীৰ্ণ শিক্ষকসকলক নিয়মীয়া নকৰাৰ হুংকাৰ দিছে। গোটেই বিদ্যালয়খনৰ দায়িত্ব এজন বা দুজন টেট শিক্ষকে ল'ব পাৰিবনে? তাৰ বাবে নিয়মীয়া নকৰাৰ এই হুংকাৰ একেবাৰে অযুক্তিকৰ আৰু ভিত্তিহীন। ইয়াৰোপৰি গুণোৎসৱৰ ফলাফলৰ ওপৰতো নিশ্চয় সন্দেহৰ অৱকাশ আছে। আমাৰ অঞ্চলৰ কিছুমান বিদ্যালয়ৰ গ্ৰেডসমূহ দেখি এই সন্দেহ বৃদ্ধি পাবলৈ ধৰিছে।

চৰকাৰী বিদ্যালয়ৰ এই অৱক্ষয়ৰ আন কাৰণসমূহৰ ভিতৰত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ অভাৱ অনুপযুক্ত আন্তঃ গাঁঠনি, ভুল শিক্ষানীতি, বিসংগতিমূলক পাঠ্যক্ৰম ছাত্ৰ-ছাত্ৰীৰ অনিয়মীয়া উপস্থিতি, ছাত্ৰ-ছাত্ৰীৰ নূন্যতম শৈক্ষিক পৰিবেশৰ অভাৱ আৰু অভিভাৱকৰ অমনোযোগিতা তথা অসহযোগিতা। এইবোৰৰ ভিতৰত অভিভাৱক অসহযোগিতা আমাৰ দৃষ্টিত এই অৱক্ষয়ৰ এক অন্যতম কাৰণ। কিয়নো শিক্ষাক যদি এটা ত্ৰিভুজ বুলি ধৰা হয় তেন্তে ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱক, তিনিটা শীৰ্ষবিন্দু। সফল শিক্ষাৰ বাবে শিশু, শিক্ষক আৰু অভিভাৱকৰ মাজত সুসম্পৰ্ক নিতান্তই আৱশ্যকীয়। অভিভাৱকসকল নিৰক্ষৰ হ'লেও ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সাধাৰণ সজাগতা তথা সচেতনতাৰ প্ৰয়োজন। ভিতৰুৱা বহু অঞ্চলত ছাত্ৰ-ছাত্ৰীৰ অনিয়মীয়া উপস্থিতিৰ কাৰণ অভিভাৱকৰ অমনোযোগিতা তথা নিজৰ সন্তানক কৃষি কৰ্মত নিয়োজন কৰা। যিবোৰ ব্যক্তিগত বিদ্যালয়ত দেখা নাযায়।

ইয়াৰোপৰি চৰ অঞ্চলকে আদি কৰি বহু বিদ্যালয়ৰ কথিত আৰু লিখিত ভাষা বেলেগ হোৱাটোও এক প্ৰধান সমস্যা। তাৰোপৰি বহু প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম হ'লেও (৮০-৯০ জন) মাত্ৰ দুই বা তিনিজন

শিক্ষক। এতিয়া পাঁচটাকৈ শ্ৰেণীত দুই বা তিনিজন শিক্ষক। এতিয়া তেনেবোৰ বিদ্যালয়ত কেনেকৈ গুণগত শিক্ষা সম্ভৱ হ'ব? ইয়াৰোপৰি হাজাৰোধিক বিদ্যালয়ত এজনীয়া শিক্ষক। অৱশ্যে ওচৰা-উচৰিকৈ থকা বিদ্যালয়বোৰৰ সংলগ্ন কৰণ আৰু একত্ৰীকৰণৰ সিদ্ধান্ত এক আদৰণীয় আৰু সঠিক পদক্ষেপ হিচাপে চিহ্নিত হৈছে। বিশেষকৈ একে চৌহদত থকা নিম্ন প্ৰাথমিক, উচ্চ প্ৰাথমিক আৰু হাইস্কুলক একত্ৰীকৰণৰ সিদ্ধান্তই শিক্ষকবোৰ সমস্যা বহু পৰিমাণে লাঘৱ কৰিব। বেছিভাগ হাইস্কুলত দুটা শ্ৰেণীৰ পৰিবৰ্তে ৯-১০ জন শিক্ষক তেনেদৰে মধ্য ইংৰাজী বিদ্যালয়ত তিনিটা শ্ৰেণীৰ পৰিবৰ্তে শিক্ষকৰ সংখ্যা ৬-৭ জন। কিন্তু বাস্তৱক্ষেত্ৰত কিমান সফল হয় এই পদক্ষেপ সময়তহে গম পোৱা যাব। প্ৰধান শিক্ষকসকলৰ মাজত ঘটা মতানৈক্যই এই ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা প্ৰৱল। শিক্ষকসকলেও নিম্ন খাপৰ শ্ৰেণী সমূহত কিমান সহৃদয়তাৰে পাঠদান কৰিব সিও সন্দেহৰ আৱৰ্তত।

ইতিমধ্যে উল্লেখ কৰা অনুসৰি পাঠ্যক্ৰমৰ বিসংগতি, ভুল শিক্ষানীতি, মধ্যাহ্ন ভোজন আৰু উত্তীৰ্ণ-অনুত্তীৰ্ণ ব্যৱস্থাৰ বিলুপ্তিকৰণৰ প্ৰসংগও ৰাজহুৱা বিদ্যালয়ৰ অৱক্ষয়ৰ অন্যতম কাৰক। এইদৰে দিনক দিনে ধ্বংসৰ গৰাহলৈ গতি কৰা ৰাজহুৱা বিদ্যালয়বোৰৰ উন্নতিৰ বাবে চৰকাৰৰ সদিচ্ছা বা কিমান? চৰকাৰে প্ৰকৃততে বিচাৰেনে চৰকাৰী বিদ্যালয়ৰ উন্নতি? বৰ্তমানলৈ যিবোৰ নীতি প্ৰৱৰ্তন কৰিছে সেইবোৰে যে বিদ্যালয়বোৰলৈ ভাল দিন ঘূৰাই আনিব তাত সন্দেহৰ অৱকাশ আছে। আনফালে কাঠফুলাৰ দৰে গঢ়ি উঠা ব্যক্তিগত বিদ্যালয়বোৰক নিয়ন্ত্ৰণত অনাৰ সলনি এই বিদ্যালয়বোৰ ধন আহৰণৰ উৎসত পৰিণত কৰাত হাত উজান দিয়া পৰিলক্ষিত হৈছে। অসমৰ সৰহসংখ্যক ব্যক্তিগত বিদ্যালয়ৰ প্ৰয়োজনীয় মাটিৰ উপৰিও অত্যাৱশ্যকীয় দিনবোৰৰ অভাৱ, তথাপি চৰকাৰৰ পৰা অতি সহজে অনুমতি লাভ কৰি আহিছে। এই বিদ্যালয়বোৰে নিজৰ খেয়াল মতে ছাত্ৰ-ছাত্ৰীৰ মাচুল বৃদ্ধি কৰাৰ বিপৰীতে তাত নিয়োজিত শিক্ষকসকলক তেনেই নগন্য মাননি প্ৰদান কৰি আহিছে। চৰকাৰ মাথো নীৰৱ দৰ্শক হৈ আছে।

ৰাজহুৱা বিদ্যালয়বোৰৰ উন্নতি তথা সাধাৰণ ৰাইজৰ আস্থা পুনৰাই ঘূৰাই অনাৰ বাবে ওপৰত আলোচনা কৰা বিসংগতি সমূহ আঁতৰাই শিক্ষক, অভিভাৱক তথা শিক্ষা বিভাগ হাতত হাত ধৰি আগবাঢ়িব লাগিব। চৰকাৰেও প্ৰয়োজনীয় আন্তঃগাঁথনিৰ দিহা কৰি যথোপযুক্ত শিক্ষক নিযুক্ত কৰাটো অতি আৱশ্যকীয় হৈ পৰিছে। লগতে অভিভাৱকসকলক বিদ্যালয়ত অংশগ্ৰহণ নিশ্চিত কৰিব লাগিব। পাঠ্যক্ৰমৰ বিসংগতি, মধ্যাহ্ন ভোজন আৰু পৰীক্ষা পদ্ধতিৰ সংশোধন কৰাটো বৰ্তমান সময়ত চৰকাৰৰ প্ৰধান দায়িত্ব হিচাপে বিবেচিত হৈছে। শিক্ষকসকলৰ উপস্থিতি তথা পাঠদান প্ৰক্ৰিয়া নিৰ্দিষ্ট ব্যৱধানত পৰ্যবেক্ষণ কৰাটোও চৰকাৰৰ অন্য এক দায়িত্ব।

শিক্ষকসকলেও অন্তঃকৰণেৰে নিজৰ দায়িত্ব সমাপন কৰিব লাগিব আৰু শিক্ষকতাক এক পেচাৰ লগতে নিচা হিচাবে গ্ৰহণ কৰিব লাগিব। আনহাতে চৰকাৰে শিক্ষকসকলৰ অৰ্থনৈতিক দিশটোৰ প্ৰতিও নজৰ ৰাখিব লাগিব লগতে ঠিকাভিত্তিক শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ ব্যৱস্থা কৰি এক সুস্থ মানসিক পৰিবেশৰ সৃষ্টি কৰিব লাগিব।

আমাৰ গভীৰ আশা আৰু বিশ্বাস— এনেবোৰ পদক্ষেপৰ পিছত ৰাজহুৱা খণ্ডৰ বিদ্যালয়বোৰৰ পুনৰোজ্জীৱিতকৰণ একো অসম্ভৱ নহয়। অৱশ্যে এইক্ষেত্ৰত চৰকাৰেও ৰাজনৈতিক চমক সৃষ্টি কৰাৰ পৰিবৰ্তে সহৃদয়তাৰে নিজৰ দায়িত্ব সমাপন কৰিব লাগিব। ◆◆

# সাধাৰণ শিক্ষা ব্যৱস্থাত সঙ্গীত শিক্ষাৰ প্ৰয়োজনীয়তা

ডাঃ প্ৰশান্ত কুমাৰ খাউণ্ড
চিকিৎসক, ঝাৰগাঁও প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ

আমি সকলোৱে জানো যে 'ছাত্ৰানং অধ্যয়নং তপঃ' অৰ্থাৎ 'ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে কেৱল অধ্যয়নেই তপস্যা বা কৰ্তব্য'। এই কথাকে সাৰোগত কৰি অধ্যয়নৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যপুথি অধ্যয়নৰ বাদে বেলেগ কামত মনোনিবেশ কৰাটো অনুচিত বুলি পোনপটীয়াকৈ ভবা হয়। কোনো এটা বিষয় এশ শতাংশই হৃদয়ংগম কৰিবলৈ হ'লে দেহ-মন আৰু মগজু সম্পূৰ্ণ সুস্থ হ'ব লাগিব। এই দেহ-মন-মগজু সুস্থ হ'বৰ কাৰণে কেৱল সুষম খাদ্য বা নিয়মিত খেলা-ধূলা কৰিলেই নহ'ব। সুষম খাদ্য আৰু নিয়মিত খেলা-ধূলাই শৰীৰ আৰু মগজুহে সুস্থিৰ কৰি ৰাখিব পাৰে। মন বা চিত্ত সুস্থিৰ কৰি ৰাখিব পৰা ব্যৱস্থা বেলেগ। সি হৈছে সূক্ষ্ম ললিত কলা চৰ্চা। এই সুক্ষ্ম ললিত কলাৰ নিয়মিত চৰ্চাই মানুহৰ মন আৰু চিত্ত সুস্থিৰ কৰি ৰাখে। চিত্ত বা মনে মগজুক নিয়ন্ত্ৰণ কৰে আৰু মগজুৱে হৃদপিণ্ড নিয়ন্ত্ৰণ কৰে। এই মগজু আৰু হৃদপিণ্ড সুস্থিৰ হৈ থাকিলেহে অধ্যয়নৰত ব্যক্তিৰ কাৰ্য সিদ্ধি হয়।

আমাৰ আলোচ্য বিষয়বস্তুৰ সূক্ষ্ম ললিত কলা হৈছে সঙ্গীত, নাট্য, সাহিত্য আৰু চিত্ৰকলা আদি। প্ৰাচীন হিন্দু শাস্ত্ৰত উল্লেখিত চৌষষ্ঠিতা কলাৰ ভিতৰত শ্ৰেষ্ঠ কলা হৈছে সঙ্গীত। সেই কাৰণেই হয়তো ঋষিমুনিয়ে কৈ গৈছে 'ন বিদ্যা সঙ্গীতাৎ পৰা'। এই সঙ্গীতনো কি? মহামুনি সাৰঙ্গদেৱে কৈছে— 'গীতং বাদ্যং তথা নৃত্যং ত্ৰয়ং সঙ্গীতম্ উচ্যতে'। অৰ্থাৎ গীত-বাদ্য আৰু নৃত্য এই তিনিও কলাকে সঙ্গীত বোলা হয়। আন এগৰাকী মুনিয়ে কৈছে— 'সঙ্গীত এনে এবিধ কলা যাক উপভোগ কৰিলে প্ৰাণীৰ মন-ভাব ৰসে মহীয়ান হৈ পাৰ্থিব অস্তিত্ব হেৰুৱায় অসীম আনন্দ উপলব্ধি হয়।'

প্ৰাচীন কালত ৰজা-মহাৰজাৰ সন্তানসকলে শিক্ষা গ্ৰহণৰ উদ্দেশ্যে মহা মহা ঋষি-মুনিৰ আশ্ৰমত বসবাস কৰিবলগা হৈছিল। তাত চেমনীয়া ছাত্ৰসকলে অস্ত্ৰবিদ্যা আৰু ৰাজনীতি বিদ্যাৰ লগতে সঙ্গীতৰ বিদ্যাও গ্ৰহণ কৰিবলগা হৈছিল। সেইবাবেই হয়তো মহাৰাজ ৰাৱণ ভাল গায়ক, বাণ ৰজা ভাল নৃত্যশিল্পী, ৰামচন্দ্ৰৰ দুই পুত্ৰ লৱ আৰু কুশ সুগায়ক, তৃতীয় পাণ্ডৱ অৰ্জুন ভাল নৃত্যশিল্পী আৰু গায়ক আছিল বুলি আমি শাস্ত্ৰত পাও। এইসকল মহান ব্যক্তি কেৱল সঙ্গীত শিল্পী বা দক্ষ ৰাজনীতিবিদেই নাছিল একোগৰাকী নৈতিক আদৰ্শৰে বিভূষিত মহান ব্যক্তি আছিল।

সূক্ষ্ম ললিত কলা চৰ্চাৰ দ্বাৰা ব্যক্তি মৰম আকলুৱা আৰু প্ৰেমিক হয়। এই প্ৰেম তথাকথিত সহজ প্ৰেম নহয় ই মাতৃপ্ৰেম, দেশপ্ৰেম আৰু বিশ্বপ্ৰেম। বিশেষকৈ সঙ্গীতচৰ্চা কৰা মানুহ মানৱতাবাদী হৈ পৰে। মানৱতাবাদী লোকসকলে কেতিয়াও কোনো কাৰণত দুষ্কৃতিৰ আশ্ৰয় গ্ৰহণ নকৰে। তেওঁলোকৰ মন দেশপ্ৰেমেৰে উথলি উঠে। সেইবাবে হয়তো জন্মতেই সোণৰ থালিত ভাত খোৱা শ্ৰীমন্ত শংকৰদেৱ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ, কলাগুৰু বিষ্ণুপ্ৰসাদ আৰু সুধাকণ্ঠ ভূপেন হাজৰিকাই খাটি খোৱা মানুহৰ স্বাৰ্থত জীৱন উৰ্ছগা কৰিলে। শাসনৰ গাদীত বহি থকা অৱস্থাত প্ৰয়াত ইন্দিৰা গান্ধী বিশ্বৰ শ্ৰেষ্ঠ ৰাজনীতিবিদৰ স্বীকৃতি পাইছিল। তেখেত লণ্ডনৰ ট্ৰিনিটি কলেজ অব্ মিউজিক এই অনুষ্ঠানৰ পৰা সঙ্গীতৰ বিশাৰদ ডিগ্ৰী পাইছিল।

প্ৰাথমিক পৰ্যায়ৰ পৰা মহাবিদ্যালয়লৈকে প্ৰতিদিনে ছাত্ৰ-ছাত্ৰীসকলে পাঠ গ্ৰহণৰ আগমুহূৰ্তত এটি প্ৰাৰ্থনা সমবেত হৈ গোৱাৰ ব্যৱস্থা আছে। ই আন একো নহয়, কেৱল এক সঙ্গীত। ইয়াৰ ফলত মন আৰু মগজু সুস্থিৰ হয়। কাজেই অধ্যয়নত সুবিধাজনক হয়। ঘৰতে ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰিবলৈ লোৱাৰ প্ৰাক্‌মুহূৰ্তত তিনি-চাৰি মিনিটমান সঙ্গীতচৰ্চা কৰাটো উচিত। তাৰ ফলত স্মৃতিশক্তি কিছু পৰিমাণে হ'লেও বৃদ্ধি হ'ব।

কিন্তু সাম্প্ৰতিক কালত দেখা যায় সূক্ষ্ম ললিতকলা তথা সঙ্গীতচৰ্চাৰ নামত নতুন প্ৰজন্মই এনেকুৱা এবিধ সঙ্গীত ধাৰা চৰ্চা আৰম্ভ কৰিছে যি ধাৰাত পিতৃ-মাতৃৰ ভক্তি, দেশমাতৃৰ ভক্তি অৱক্ষয় হৈছে। ৰাক্ষসৰাজ ৰাৱণে নিজৰ বন্দীশালত সীতাক মন মুহিবৰ কাৰণে বহুপ্ৰকাৰে বহুবাৰ চেষ্টা চলাই ব্যৰ্থ হৈছিল যদিও শাৰীৰিক বল প্ৰয়োগ কৰা নাছিল। কিন্তু আজিৰ সঙ্গীতে প্ৰেয়সীৰ মন জয় কৰিবলৈ যোৱা দূৰৰে কথা শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গৰ কথা গীতত উচ্চাৰণ কৰি এক অশ্লীল উদ্দাম সঙ্গীতচৰ্চাৰ পয়োভৰ ঘটাইছে। যেনে মঞ্চত থকা গায়কে জপিয়াই নামি আহি দৰ্শকৰূপী নাৰীক বলাৎকাৰহে কৰিব। এনে অপসংস্কৃতি ত্যাগ কৰি নতুন প্ৰজন্মই মাটিৰ গোন্ধ থকা সঙ্গীতচৰ্চা কৰক য'ত পিতৃ-মাতৃ, বাই-ভনী আৰু গুৰু-শিষ্য একেলগে সঙ্গীতচৰ্চা আৰু উপভোগ কৰিব পাৰে।

# বৰ্তমানৰ শিক্ষা ব্যৱস্থা আৰু নতুন প্ৰজন্ম

মিলেশ্বৰ পাতৰ
বিশিষ্ট নিবন্ধকাৰ, মৰিগাঁও

মানৱ সম্পদৰ যথোচিত বিকাশ অবিহনে একোখন সমাজ, একোটা জাতি তথা দেশৰ প্ৰকৃত উন্নয়ন হোৱা বুলি ক'ব নোৱাৰি। মানৱ সম্পদৰ বিকাশৰ প্ৰাথমিক চৰ্তই হৈছে শিক্ষা। শিক্ষা অবিহনে এটি শিশু মানৱ সম্পদলৈ ৰূপান্তৰ হ'ব নোৱাৰে। জ্ঞান-বুদ্ধিসম্পন্ন, শাৰীৰিক আৰু মানসিকভাৱে স্বাস্থ্যসন্মত আৰু কাম কৰাৰ যোগ্যতাসম্পন্ন ব্যক্তিকেই মানৱ সম্পদৰূপে গণ্য কৰিব পাৰি। অৰ্থাৎ এজন ব্যক্তি সম্পদলৈ ৰূপান্তৰ ঘটিবলৈ হ'লে শাৰীৰিক আৰু মানসিক দুয়োপ্ৰকাৰে যথোচিত বিকাশ হ'ব লাগিব। বৰ্তমান সময়ত চৰকাৰে প্ৰচলিত শিক্ষা বিভাগটোক 'মানৱ সম্পদ উন্নয়ন বিভাগ' হিচাপে নামাঙ্কন কৰিছে। শিশুৰ শিক্ষা গ্ৰহণৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে গণ্য কৰি সংবিধান সংশোধনেৰে আইন প্ৰণয়ন কৰা হৈছে। ১৪ বছৰৰ বয়সৰ তলৰ সকলো শিশুকে শিক্ষা প্ৰদান কৰাটো বাধ্যতামূলক কৰা হৈছে। সাক্ষৰতাৰ স'তে মানৱ সম্পদৰ বিকাশ প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। বিকাশৰ প্ৰক্ৰিয়াক কাৰ্যক্ষম আৰু ফলপ্ৰসূ কৰি তুলিবলৈকে শিক্ষা তথা জ্ঞান আহৰণৰ প্ৰয়োজন। শিক্ষাৰ মাধ্যমেদি আহৰণ কৰা জ্ঞানেই মানুহক শক্তি আৰু সামৰ্থ্য প্ৰদান কৰে। যেতিয়ালৈকে মানুহে ভাল আৰু মহত্ব নিজে নিৰ্দ্ধাৰণ কৰিবলৈ সমৰ্থ নহয় তেতিয়ালৈকে শিক্ষাৰ সাৰ্থকতাও অপূৰ্ণ হৈ ৰয়। শিক্ষা কেৱল আনুষ্ঠানিক শিক্ষা ব্যৱস্থাতে সীমাবদ্ধ নহয়। শিক্ষানুষ্ঠান, পাঠ্যক্ৰম, শিক্ষক সমাজ— এনে আনুষ্ঠানিকতাৰ বাহিৰেও পিতৃ-মাতৃ, অভিভাৱক, ঘৰুৱা আৰু সামাজিক পৰিৱেশ,পাৰিপাৰ্শ্বিক অৱস্থা ইত্যাদি সকলো ক্ষেত্ৰতে ই সম্পৰ্কিত। অৰ্থাৎ আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ লগতে অনানুষ্ঠানিক পৰিৱেশেও শিশুক মানৱ সম্পদলৈ ৰূপান্তৰ কৰাত সহায় কৰে।

বৰ্তমানৰ শিক্ষা ব্যৱস্থা বুলি ক'লে এনে এখন ছবি দেখিবলৈ পোৱা যায় যে, চৰকাৰী শিক্ষা নীতিত ন-ন পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে প্ৰায় প্ৰতিটো বছৰেই শিক্ষা পদ্ধতি সলনি কৰিবলৈ বিচৰা হৈছে অথবা নতুন পদ্ধতিৰ সংযোগ ঘটিছে। প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ শিক্ষা পৰ্যায়লৈকে নানা ব্যৱস্থা কাৰ্যকৰী কৰা হৈছে। সৰ্বশিক্ষা আঁচনিৰ জৰিয়তে প্ৰাথমিক পৰ্যায়ত সকলো শিক্ষাৰ্থীকে সামৰিবলৈ বিচৰা হৈছে। বিনামূলীয়া পাঠ্যপুথি, বিনামূলীয়া সাজ, মধ্যাহ্ন ভোজন ইত্যাদিৰে শিক্ষাৰ্থী তথা অভিভাৱকক আকৰ্ষিত কৰিবলৈ যত্ন কৰা হৈছে। শেহতীয়াকৈ উচ্চতৰ মাধ্যমিক শ্ৰেণীত নামভৰ্তিৰ বাবে অভিভাৱকৰ বাৰ্ষিক আয় এক লাখ টকাৰ কম আয়ৰ পৰিয়ালৰ শিক্ষাৰ্থীৰ নামভৰ্তি বিনামূলীয়া কৰা হৈছে। প্ৰাথমিক পৰ্যায়ৰ পৰাই শিক্ষকসকলৰ প্ৰশিক্ষণ বাধ্যতামূলক কৰিবলৈ বিচৰা হৈছে। শিক্ষাৰ গুণগত মান উন্নত কৰাৰ বাবে 'টেট' পৰীক্ষাৰ জৰিয়তে উপযুক্ত শিক্ষক

নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। এনেধৰণৰ বহু ব্যৱস্থা চৰকাৰী শিক্ষা পদ্ধতিত প্ৰয়োগ কৰা হৈছে।

উল্লেখ্য যে, ১৯৯৭-২০০২ চনৰ নৱম-পঞ্চবাৰ্ষিক পৰিকল্পনাৰ লক্ষ্যত কোৱা হৈছিল যে ২০০৫ চনৰ ভিতৰত দেশখনক সম্পূৰ্ণৰূপে সাক্ষৰ কৰি তোলাটো এটা দায়বদ্ধ লক্ষ্য হিচাপে গণ্য কৰা হ'ব। সৰ্বশিক্ষা আঁচনিৰ জৰিয়তে ২০০৩ চনৰ ভিতৰতে সকলো শিশুকে অন্তৰ্ভুক্ত কৰাৰ পৰিকল্পনা কৰা হৈছিল। তাৰ পূৰ্বেও নানাধৰণৰ লক্ষ্য নিৰ্দ্ধাৰিত আঁচনি কাৰ্যকৰী কৰা হৈছে। কোঠাৰী আয়োগৰ (১৯৬৪-৬৬) পৰামৰ্শ অনুযায়ী 'দহ বছৰীয়া স্কুলৰ শিক্ষাৰ গাঁথনি' ৰচনা কৰা হৈছিল। ১৯৭৬ চনৰ 'উচ্চত মাধ্যমিক শিক্ষা আৰু কৰ্মভিত্তিক শিক্ষাৰ সংযোজন নীতি গ্ৰহণ কৰা হৈছিল। সেইখিনি সময়ত এনে নীতিৰ জৰিয়তে সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক বিচাৰ-বিবেচনাৰে বিদ্যায়তনিক আসোঁৱাহবোৰ দূৰ কৰাৰ প্ৰয়াস কৰা হৈছিল। ২০০০ চনত 'ৰাষ্ট্ৰীয় পঢ়াশলীয়া শিক্ষাৰ গাঁথনি' গ্ৰহণ কৰা হৈছিল। নিৰক্ষৰতা দূৰীকৰণৰ বাবে 'নিৰক্ষৰতা দূৰীকৰণ আঁচনি', 'কৃষ্ণ ফলক আঁচনি', 'জিলা প্ৰাথমিক শিক্ষা আঁচনি' আদিও সময়ে সময়ে ৰূপায়ণ কৰা হৈছে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত সময়ে সময়ে ইমানবোৰ আঁচনি ৰূপায়ণ কৰা হ'লেও দেশৰ শিক্ষা ব্যৱস্থা আশানুৰূপ ধৰণে ফলপ্ৰসূ হৈছে বুলি ক'ব পৰা হোৱা নাই। শেহতীয়াকৈ 'অসম মানৱ উন্নয়ন প্ৰতিবেদন'ত (২০১৪) প্ৰকাশিত তথ্যাই কিছু উদ্বেগজনক ছবি এখনহে দাঙি ধৰিছে। তথ্য অনুসৰি আমাৰ ৰাজ্যখনত বৰ্তমানেও ২৮.১৪ শতাংশ শিশুৱেই পঢ়াশালী গচকা নাই। সাম্প্ৰতিকভাৱে ৬ বছৰ বয়সৰ পৰা ২৪ বছৰ বয়সৰ ৫৪.০৭ শতাংশহে শিক্ষাগ্ৰহণৰ বাবে শিক্ষানুষ্ঠানত নামভৰ্তি কৰিছে। অৰ্থাৎ ৪৫.৯৩ শতাংশ লোকেই সন্তুষ্ট নহয়। ফলস্বৰূপে, ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ প্ৰতি অভিভাৱকসকলৰ ধাউতি ক্ৰমান্বয়ে বৃদ্ধি পাইছে। উক্ত প্ৰতিবেদনতে প্ৰকাশিত হৈছে— ৰাজ্যখনৰ ৬ বছৰ বয়সৰ স্কুললৈ যোৱা শিক্ষাৰ্থীৰ ১৪.৭ শতাংশ শিক্ষাৰ্থীয়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয়লৈ যায়। বহু অভিভাৱকেই ভাবে— চৰকাৰী বিদ্যালয়ৰ তুলনাত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ আন্তঃগাঁথনি ভাল। শিক্ষাদানৰ পদ্ধতিও ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত সন্তোষজনক বুলি বহুতেই পতিয়ন গৈছে। এনে পৰিস্থিতিয়ে কিছু উদ্বেগজনক দিশ উন্মোচন নকৰাকৈ থকা নাই। স্বাভাৱিকতে কিছু প্ৰশ্নৰো অৱতাৰণা নোহোৱাকৈ থকা নাই। এনেবোৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশত পুনৰ নতুন শিক্ষানীতিৰ পোষকতা কৰা দেখা গৈছে। ভাৰতীয় শিক্ষা ব্যৱস্থাৰ কিছু ত্ৰুটি-বিচ্যুতি নথকা নহয়। সময়ে সময়ে অভিযোগ উত্থাপন হৈছে যে ভাৰতীয় শিক্ষা ব্যৱস্থাটো ব্ৰিটিছ শাসনে দি যোৱা 'পৰনিৰ্ভৰশীল মানসিকতা'ৰ দ্বাৰা পৰিচালিত। আনকি ১৯৩০ চনত মহাত্মা গান্ধীয়ে লণ্ডনৰ চাথাম হাউছত ব্ৰিটিছে ভাৰতত প্ৰয়োগ কৰা শিক্ষানীতিৰ সমালোচনা কৰিছিল। তেনে কু-প্ৰভাৱৰ পৰা ভাৰতীয় শিক্ষা নীতি এতিয়াও মুক্ত হ'ব পৰা নাই। শিক্ষাৰ জৰিয়তে বৃত্তিগত পাৰদৰ্শিতা প্ৰদৰ্শন বা জ্ঞান আহৰণৰ ক্ষেত্ৰত বৰ্তমানৰ শিক্ষা ব্যৱস্থাটো যথেষ্ট দুৰ্বল বুলি ক'ব পাৰি। বাৰ্ষিক পৰীক্ষাৰ জৰিয়তে উত্তীৰ্ণ বা অনুত্তীৰ্ণ ঘোষণা কৰা প্ৰচলিত ব্যৱস্থাটোৰ বিলুপ্তি সাধনেও শিক্ষা আহৰণৰ প্ৰক্ৰিয়াত বিৰূপ প্ৰভাৱ নেপেলোৱাকৈ থকা নাই। মধ্যাহ্ন ভোজন আঁচনিৰ ব্যৱস্থায়ো পঢ়াশলীয়া মূল্যবান সময়ত শিক্ষাৰ্থীৰ মনোযোগ ভঙ্গৰ প্ৰক্ৰিয়াক উদগনি জনোৱা হৈছে। নীতিশিক্ষাৰ অভাৱে ছাত্ৰ-ছাত্ৰীসকলক মূল্যবোধৰ ধাৰণা সঞ্চাৰিত কৰাত বাধাৰ সৃষ্টি কৰিছে। শিক্ষা ব্যৱস্থাটো অতি ব্যয়বহুল হৈ উঠাত দুখীয়া পৰিয়ালৰ মেধাৱী ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আধুনিক যুগত ফেৰ মাৰিবলৈ গৈ ভূগোল, বুৰঞ্জী, নীতিশিক্ষাক আওকাণ কৰাত সামাজিক-সাংস্কৃতিক দিশত শিপা বিচ্ছিন্ন বাতাবৰণ এটা সৃষ্টি কৰা হৈছে।

সাম্প্ৰতিক সময়ত এটা সমস্যা অতি উদ্বেগজনকভাৱে লক্ষ্য কৰা হৈছে। চৰকাৰী শিক্ষানুষ্ঠানসমূহত শিক্ষাৰ্থীৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাইছে। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। প্ৰাথমিক আৰু মজলীয়া পৰ্যায়ৰ চৰকাৰী তথা অসমীয়া মাধ্যমৰ কিছুসংখ্যক বিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ অভাৱত বন্ধ কৰি দিয়া হৈছে। নিজৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নামভৰ্তি কৰিবলৈ পিতৃ-মাতৃ তথা অভিভাৱকৰ আগ্ৰহ বাঢ়িছে। নিজৰ ভাষা, সাহিত্য, সংস্কৃতি, ঐতিহ্যৰ পৰা নতুন প্ৰজন্ম ক্ৰমান্বয়ে বিচ্ছিন্ন হ'বলৈ ধৰিছে। এনে পৰিস্থিতিত চৰকাৰৰ শিক্ষানীতি কেনে হোৱা উচিত অথবা সাম্প্ৰতিক সময়ৰ স'তে শিক্ষা ব্যৱস্থাটো কেনেদৰে উপযোগী কৰি তোলা হ'ব সেই সম্পৰ্কে গুৰুত্ব সহকাৰে চিন্তা কৰাৰ প্ৰয়োজন হৈ পৰিছে। চৰকাৰী শিক্ষানুষ্ঠান বা অসমীয়া মাধ্যমৰ প্ৰতি অভিভাৱকৰ অনীহা কিয় বৃদ্ধি পাইছে সেয়া বিচাৰ কৰি চোৱা দৰকাৰ। ব্যক্তিগত খণ্ডৰ

শিক্ষানুষ্ঠানৰ কোনবিলাক বিষয়ে অভিভাৱকক আকৰ্ষিত কৰিছে তাৰ অনুকূলে চৰকাৰী শিক্ষানুষ্ঠানসমূহকো সজাই তুলিব পাৰি নেকি সেয়া বিবেচনা কৰা প্ৰয়োজন। যুগৰ উপযোগীকৈ শিক্ষা ব্যৱস্থাক সাজু কৰিব নোৱাৰিলে বিপৰ্যয় অনিবাৰ্য হৈ পৰিব।

বৰ্তমান সময়ৰ পৰিবৰ্তনৰ যুগত মানুহৰ চিন্তা-চেতনা, জীৱন-জীৱিকা, জীৱন ধাৰণৰ প্ৰণালী— এইবোৰ সকলোতে নানা পৰিবৰ্তন আৰু প্ৰত্যাহ্বানৰ সূচনা হৈছে। পৰিবৰ্তনৰ গতি ইমানেই দ্ৰুততৰ হৈছে যে তাৰ লগত সঙ্গতি ৰাখি সমাজৰ সকলো স্তৰৰ মানুহে সমানে খোজ মিলাই আগুৱাই যাব পৰা নাই। ভোগবাদৰ সমস্ত উপাদানে অক্টোপাছৰ দৰে আগুৰি লোৱা আধুনিক জীৱনশৈলীৰ স'তে সমাজৰ গৰিষ্ঠসংখ্যক মানুহেই হাবু-ডুবু খাবলগা হৈছে। এনে সন্ধিক্ষণত নিম্ন আয়ৰ লোকসকল বা অশিক্ষিত, অৰ্দ্ধশিক্ষিত লোকসকল বিপৰ্যস্ত নোহোৱাকৈ থকা নাই। সামৰ্থ থাককেই বা নাথাকক নিজক প্ৰতিষ্ঠা কৰাৰ প্ৰতিযোগিতাৰ দৌৰত সকলোৱে অৱতীৰ্ণ হ'ব লগা হৈছে। বিশ্বায়ন তথা বিশ্ব অৰ্থনীতিৰ উদাৰীকৰণ নীতিয়ে আমাৰ ব্যক্তিগত জীৱনশৈলী, সামাজিক বাতাবৰণ, শিক্ষাৰ পৰিবেশ, অৰ্থনীতিৰ বুনিয়াদ, সাংস্কৃতিক পৰম্পৰা ইত্যাদি সকলোতে ব্যাপক প্ৰভাৱ পেলাইছে। এনে প্ৰভাৱৰ পৰা কোনেও মুক্ত হৈ থাকিব পৰা নাই। মানৱীয় প্ৰমূল্যৰ উপাদানবোৰো হেৰাই যোৱাৰ উপক্ৰম হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভাৱনীয় উত্তৰণত মানৱীয় প্ৰমূল্যবোধৰ সামাজিক ভেটিটো থৰক-বৰক হৈছে। বৰ্তমানৰ প্ৰেক্ষাপটত এইবোৰ নিশ্চয় চিন্তাৰ বিষয়।

বৰ্তমানৰ শিক্ষা ব্যৱস্থাটোৱে আজিৰ প্ৰজন্মক ভৱিষ্যতৰ সামাজিক পৰিমণ্ডলৰ উপযোগীকৈ কেনেদৰে গঢ়ি তুলিব, সেয়া নিশ্চয় প্ৰাসঙ্গিক প্ৰশ্ন। তেনে নিশ্চয়তা থকা শিক্ষা ব্যৱস্থাকে বৰ্তমান সময়ত প্ৰয়োজন। সেই সন্দৰ্ভত চৰকাৰ কৰ্তৃপক্ষই যথোচিত দায়িত্ব পালন কৰিব লাগিব। নতুন প্ৰজন্মক যথোপযুক্ত শিক্ষাৰে শিক্ষিত কৰিব পাৰিলেহে ভৱিষ্যত সমাজৰ নিৰাপত্তা থাকিব। প্ৰণিধানযোগ্য যে বৰ্তমান দূষিত বাতাবৰণৰ বাবে সাধাৰণতে নতুন প্ৰজন্মৰ যুৱচামকেই দোষী সাব্যস্ত কৰা হয়। যুৱচামৰ সৰহভাগেই অধ্যৱসায়, কষ্টসহিষ্ণু, সৃজনীশীল, আদৰ্শবান, নৈতিক চৰিত্ৰবান হোৱাৰ পৰিবৰ্তে সোৰোপা, অকৰ্মন্য, পৰনিৰ্ভৰশীল, কৰ্মবিমুখ, ভ্ৰষ্ট চৰিত্ৰৰ, অপৰাধপ্ৰৱণ, অসহিষ্ণু, হিংসাশ্ৰয়ী হ'বলৈ ধৰিছে কিয় তাৰ বিশ্লেষণ কৰি চোৱা দৰকাৰ। প্ৰচলিত শিক্ষা ব্যৱস্থাই এনে ক্ষেত্ৰত অৰিহণা যোগোৱাত কিবা সফলতা বা বিফলতা আছে নেকি সেয়া বিচাৰ্যৰ বিষয়। শিক্ষা প্ৰসাৰৰ তুলনাত বৰ্তমান সময়ত ভোগবাদৰ উপকৰণবোৰৰ দ্ৰুত প্ৰসাৰ ঘটিছে। শিক্ষাৰ উপকৰণৰ লেহেমীয়া গতিৰ তুলনাত ভোগসৰ্বস্ব উপাদানবোৰৰ সহজলভ্য প্ৰসাৰণে নেতিবাচক প্ৰভাৱ পেলাইছে।

পুনৰ উল্লেখ্য যে শিশুৰ সৰ্বাঙ্গীন বিকাশৰ মূল ক্ষেত্ৰখন হৈছে ঘৰখন। শিশুৰ শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে ঘৰখনৰ পৰিবেশেই হৈছে একমাত্ৰ ভেটিস্বৰূপ। প্ৰতিটো শিশুৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ মাজত ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশেই অন্তৰ্নিহিত হৈ থাকে। অৰ্থাৎ মানৱীয় আৰু দানৱীয় দুয়োটা প্ৰবৃত্তিয়েই থাকে। মানৱীয় গুণৰ বিকাশৰ বাবে পৰিবেশ অনুকূল নহ'লে স্বাভাৱিকতে দানৱীয় গুণবোৰে বিকাশ লাভ কৰে। সাধাৰণতে অভিভাৱকসকলে শিশুৰ শাৰীৰিক পৰিপুষ্টি সাধনৰ বাবে যিমান যত্নপৰ হয় তাৰ তুলনাত মানসিক পৰিপুষ্টি সাধনৰ বাবে সিমান যত্নপৰ হোৱা দেখা নাযায়। উদাহৰণ হিচাপে ক'ব পাৰি— উৎসৱৰ বতৰত শিশুৰ হাতত পুতলা পিষ্টল এটা তুলি দিয়াৰ সময়ত বহুতেই চিন্তা নকৰে যে, পিষ্টলৰ দৰে অস্ত্ৰই সৃষ্টিশীল মানসিকতাৰ পৰিবৰ্তে ধ্বংসাত্মক মানসিকতাক গঢ় দিয়ে। কেৱল বিজ্ঞান মানসিকতাৰে জ্ঞানী হ'লেই নহ'ব, মানৱীয় প্ৰমূল্যবোধৰ জ্ঞানেহে সমাজৰ নিৰাপত্তা সুনিশ্চিত কৰে। মানৱীয় প্ৰমূল্যবিহীন জ্ঞানে সমাজ ধ্বংসহে কৰিব। সেয়েহে সমাজ আৰু সভ্যতাৰ ভাৰসাম্য ৰক্ষা কৰাটো অতি জৰুৰী। এনে ভাৰসাম্য ৰক্ষা কৰাৰ উদ্দেশ্যেই দেশৰ শিক্ষানীতি যুগুত কৰা উচিত। যথোপযুক্ত শিক্ষা পদ্ধতিৰে শিক্ষাৰ্থী তথা নৱপ্ৰজন্মক ভৱিষ্যত সমাজৰ বাবে উপযোগী কৰি গঢ়ি তুলিব লাগিব। তাৰ বিকল্প পথ নাই। বৰ্তমান যুগৰ পৰিবৰ্তন, প্ৰত্যাহ্বান আৰু প্ৰতিযোগিতাৰ বাতাবৰণত তিষ্ঠি থাকিবলৈ যুৱসমাজক প্ৰস্তুত কৰি তোলাৰ লগতে সমাজ আৰু সভ্যতাৰ ভাৰসাম্য ৰক্ষা কৰিব পৰাকৈও দিক্‌দৰ্শন দিব লাগিব। মানৱীয় প্ৰমূল্যবোধ জীয়াই ৰাখিবলৈ হ'লে মানৱীয় গুণৰাজি বিকাশৰ ক্ষেত্ৰখন উৰ্বৰ কৰি ৰাখিব লাগিব। ভাল আৰু বেয়া দিশবোৰ বিচাৰ কৰিব পৰা শক্তি যুৱসমাজৰ আছে। এনে শক্তিক সঠিক দিশত পৰিচালিত কৰিব পাৰিলেই দুষ্কৃতিক প্ৰতিহত কৰিব পৰা যাব। ♦♦

# তোৰে মোৰে আলোকৰে যাত্ৰা ইতিবাচক পৰিৱৰ্তন আৰু উন্নয়ন হওক লক্ষ্য

**বুবুমনি গোস্বামী**
উপ সভাপতি, মৰিগাঁও সাহিত্য সভা

মহাতীৰ্থ কামৰূপ কামাখ্যাৰ পিচতেই তন্ত্ৰ-মন্ত্ৰ, ইন্দ্ৰজালিক যাদু বিদ্যাৰ বাবে বিখ্যাত মায়ং। বৃহত্তৰ মায়ং অঞ্চলতেই দেশৰ আপুৰুগীয়া বন্যপ্ৰাণী এশিঙীয়া গঁড়ৰ আবাস ভূমি ৰূপে খ্যাত অসমৰ অন্যতম অভয়াৰণ্য **পবিতৰা** অৱস্থিত। এই দুই বৈশিষ্ট্যৰে দেশৰ পৰ্যটনৰ মানচিত্ৰত মৰিগাঁও জিলাৰ নাম উজ্জ্বলাই ৰখা **'মায়ং'** এ আমাক দিছে স্বকীয়তাৰ পৰিচিতি। মৰিগাঁও জিলা ধানৰ ভৰাল ৰূপে ৰাজ্যখনৰ কৃষি অৰ্থনীতিত জনাজাত। মায়ঙৰ কৃষকে আমাক দিছে ভোকৰ এমুঠি অন্ন। মায়ং মৰিগাঁওৰ স্বাভিমান। মায়ঙৰ প্ৰতি আমি কৃতজ্ঞ। মায়ঙক লৈ আমি গৰ্বিত।

ৰাজধানীৰ নিচেই সমীপতে থাকিও উন্নয়নৰ দিশত চৰম অৱহেলিত, অনগ্ৰসৰ মায়ং। মায়ঙৰ সৰ্বাঙ্গীন উন্নতিৰ হকে অগ্ৰণী ভূমিকাৰে আমৃত্যু অহোপুৰুষাৰ্থ কৰা এগৰাকী স্বপ্নদ্ৰষ্টা পুৰুষ, শিক্ষাবিদ তথা সমাজসেৱক প্ৰয়াত দিপন চন্দ্ৰ নাথ, প্ৰফুল্ল ভূঞা প্ৰমুখ্যে উদ্যোগী ব্যক্তি এচামৰ নিৰলস প্ৰচেষ্টাত নতুন প্ৰজন্মক উচ্চ শিক্ষাৰ পোহৰ বিলাবলৈ গঢ়লৈ উঠা জ্ঞান মন্দিৰ স্বৰূপ **'মায়ং মহাবিদ্যালয়'ৰ 'ৰূপালী জয়ন্তী'** সমাগত। বাজি উঠিছে ৰূপালী জয়ন্তী উৎসৱ আয়োজনৰ শংখ ধ্বনি। মৰিগাঁও জিলাৰ পশ্চিম অঞ্চল সামৰি অৱস্থিত এই অনুষ্ঠানটিয়ে সফলতাৰে ৰজত জয়ন্তী পূৰ্ণ কৰা উপলক্ষে ৰূপালী জয়ন্তী উৎসৱৰ উদ্যোক্তাসকল, মহাবিদ্যালয়খনৰ গুৰুমণ্ডলী,ছাত্ৰসমাজ তথা কৰ্মচাৰীবৃন্দলৈ আন্তৰিক শুভেচ্ছা জনাইছোঁ।

কোনো এটা অঞ্চলত ৰাইজে একোখন বিদ্যালয় বা মহাবিদ্যালয় স্থাপন কৰাৰ অৰ্থ হৈছে-শিক্ষা লাভৰ অন্যতম মানৱ অধিকাৰ প্ৰতিষ্ঠাৰ যাত্ৰা পথৰ প্ৰথমটো মাইলৰ খুটি স্থাপন কৰা।শিক্ষাৰ অধিকাৰ হৈছে উন্নয়নৰ অধিকাৰ আহৰণৰ সোপানৰ এটি অপৰিহাৰ্য ধাপ (খলপা)। মানৱ অধিকাৰ সম্পৰ্কীয় গণ সজাগতা সৃষ্টিৰ বেলিকা মহাবিদ্যালয়ৰ দৰে উচ্চ শিক্ষাৰ অনুষ্ঠানৰ গুৰুত্বৰ ভূমিকা অনস্বীকাৰ্য। এই ভূমিকা সম্পৰ্কে সচেতনভাৱে উপলব্ধি কৰা বাবেই এগৰাকী মানৱ অধিকাৰ কৰ্মী হিচাপে এনে অনুষ্ঠানকলৈ আমাৰ প্ৰত্যাশাও বহু বেছি। মায়ং মহাবিদ্যালয় নামৰ মানৱ সম্পদ গঢ়াৰ এই কমাৰশালত বিগত পঁচিশ বছৰত শত-সহস্ৰ বিদ্যানব্যক্তি, বিবেক সম্পন্ন মানৱ সম্পদৰ সৃষ্টি হৈছে। এই জ্ঞান মন্দিৰৰ পৰা বিগত পঁচিশ বছৰে জ্ঞানৰ আলোকৰে আলোকিত হৈ ওলাই যোৱা বহুজনে স্বকীয় জ্ঞান-গৰিমাৰে মহিমা মণ্ডিতহৈ নিজৰ লগতে সমাজ জীৱনক সমৃদ্ধ কৰিছে। ব্যক্তি হিচাবে হওঁক বা জন সমষ্টিৰ ৰূপতে হওঁক এইসমূহ মানৱ সম্পদ বিভিন্ন ক্ষেত্ৰত আমাৰ চিভিল ছ'চাইটিৰ অবিচ্ছেদ্য অংগ। সেই সকলৰ লগতে উত্তৰ কালৰ ভাবী শিক্ষাৰ্থীসকলে মানুহৰ কল্যাণৰ বাবে, মঙ্গলৰ বাবে, সমাজৰ উন্নয়নৰ বাবে নিজকে নিয়োজিত আৰু উৎসৰ্গিত কৰিবলৈ প্ৰস্তুত কৰিব পৰাৰ ওপৰতে মহাবিদ্যালয়খনৰ বিলোৱা জ্ঞানৰ মহত্ত্ব আৰু শিক্ষাৰ সাৰ্থকতা নিৰ্ভৰ কৰিছে। নিজকে সামাজিকভাৱে দায়বদ্ধ কৰি গঢ়ি তোলাৰ লগতে অন্ধবিশ্বাস, কু-সংস্কাৰ, সংকীৰ্ণতা মুক্ত আৰু সাম্প্ৰদায়িকতাৰ উৰ্দ্ধৰ এক প্ৰগতিশীল ব্যক্তি কিম্বা সংগঠন ৰূপে পৰিচয় দিবলৈ সক্ষম হ'ব নোৱাৰিলে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য কেতিয়াও সাধন হব নোৱাৰে। ***পৰিৱৰ্তন, পৰিৱৰ্তন, আমাক***

*লাগে জনকল্যাণকামী ইতিবাচক পৰিবৰ্তন । উন্নয়ন,উন্নয়ন আৰু অধিক উন্নয়ন।* আমাক লাগে তৃণমুলৰ শেষৰ গৰাকী মানুহক সম্পূৰ্ণ মানবীয় মান-মৰ্যদাৰে জীয়াই থাকিব পৰাৰ পৰিৱেশ সৃষ্টিকাৰী উন্নয়ন।

মাও জে ডোঙে কৈছিল — "Man is the greatest power of the universe, who can done every thing."

অমৃতস্য পুত্ৰ আমি, আপোনাসকলেই সেই মানুহ, যাৰ আছে অসম্ভৱকো সম্ভৱ কৰি তোলাৰ দুৰ্ব্বাৰ শক্তি। মানুহৰ মাজত নিহিত হৈ থকা সেই বিপুল সম্ভাৱনীয়তা আৰু সক্ষমতাক আমি কিহৰ বাবে প্ৰয়োগ কৰিম। মানুহৰ অপৰিসীম ক্ষমতাক চৌকাষৰ সমাজখনৰ নিপীড়িত-নিৰ্যাতিত ,দুখ-দৰিদ্ৰতা কবলিত অৰ্ধনগ্ন, অনাহাৰী মানুহৰ প্ৰকৃত কল্যাণাৰ্থে কিভাৱে ব্যৱহাৰ কৰিব পাৰি আৰু তাৰ বাবে কেনেধৰণৰ উন্নয়ন প্ৰক্ৰিয়াৰ সৈতে নিজকে জড়িত কৰা যাব পাৰে তাক সঠিক ৰূপত উপলব্ধি কৰিব পৰাৰ ওপৰতেই একোগৰাকী তেনে শিক্ষিত ব্যক্তিৰ শিক্ষাৰ সাৰ্থকতা নিৰ্ভৰ কৰে।

আজি ভাৰতবৰ্ষৰ দৰে তৃতীয় বিশ্বৰ উন্নয়নশীল দেশবোৰৰ উন্নয়নী প্ৰক্ৰিয়াত চিভিল ছ'চাইটিৰ ভূমিকা উত্তৰোত্তৰভাৱে বৃদ্ধি পাইছে। ৰাষ্ট্ৰসংঘৰ দৰে বিশ্বৰ সৰ্বোচ্চ সংগঠনৰ নীতি-নিৰ্ধাৰণৰ প্ৰক্ৰিয়াটোত ৰাষ্ট্ৰসমূহৰ প্ৰতিনিধিসকলৰ বক্তব্যৰ মূল্যতকৈ স্বেচ্ছাসেৱী সংগঠন বা চিভিল ছ'চাইটৰি প্ৰতিনিধি একোজনৰ বক্তব্যৰ মূল্য আজি কোনো গুণে কম নহয়। কিন্তু উন্নয়ন মানে কেনে উন্নয়ন? আৰু কাৰ বাবে উন্নয়ন??

১৯৮৬ চনৰ অক্টোবৰ মাহত আফ্ৰিকান জাতিসংঘৰ দ্বাৰা জনগণৰ মানৱ অধিকাৰ সম্পৰ্কীয় যি চনদ গৃহীত হৈছিল তাৰো অন্যতম উল্লেখনীয় বৈশিষ্ট্য হৈছে সেই চনদত উন্নয়নৰ অধিকাৰৰ সন্নিৱিষ্টকৰণ। উন্নয়নৰ অধিকাৰ জনগণৰ অন্যতম মানৱ অধিকাৰ। য'ত কোৱা হৈছে যে — "সকলো মানুহৰে তেওঁলোকৰ স্বাধীনতা, ঐতিহ্য আৰু অস্তিত্বৰ সাপেক্ষে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়নৰ অধিকাৰ আছে। এই চনদৰ ২২ নং অনুচ্ছেদত কোৱা হৈছে যে — ৰাষ্ট্ৰই জনসাধাৰণৰ এই উন্নয়নৰ অধিকাৰ নিশ্চিত কৰিব লাগিব। ইয়াৰ মৰ্মাৰ্থক সমৰ্থন কৰি অনুচ্ছেদ ২৪ ত কোৱা হৈছে যে — উন্নয়নৰ বাবে এক সন্তোষজনক পৰিৱেশ পোৱাৰ অধিকাৰ জনসাধাৰণৰ থাকিব। উন্নয়নৰ অধিকাৰক মানৱ অধিকাৰ ৰূপে স্বীকৃতি দিয়া এই ঘটনা এক বিচ্ছিন্ন ঘটনা মাথোঁ হৈ নৰ'ল। ইয়াৰ কিছুদিনৰ পিছত সেই একে বছৰতেই ৪ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদেও সৰ্বসন্মতি ক্ৰমে গ্ৰহণ কৰিলে উন্নয়নৰ অধিকাৰ বিষয়ক চনদ। (Declearation on the right of development)। ই আচলতে গোষ্ঠী নিৰপেক্ষ দেশসমূহৰ 'যোগ্লোল্লাভ' বৈঠকৰ খচৰা প্ৰস্তাৱৰ ওপৰত প্ৰতিষ্ঠিত আছিল। যিয়ে এফালেদি অসামৰিক আৰু ৰাজনৈতিক অধিকাৰ আনফালেদি অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ মাজত সমতা প্ৰতিষ্ঠা কৰিলে। থিলঞ্জীয়া লোকৰ অধিকাৰ সম্পৰ্কীয় ৰাষ্ট্ৰসংঘৰ খচৰা ঘোষণা পত্ৰটো একেই সুৰৰ প্ৰতিধ্বনি উঠে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৪ ডিচেম্বৰ, ১৯৮৬ তাৰিখৰ বৈঠকৰ ৪১/১২৮ নং প্ৰস্তাৱ মৰ্মে গৃহীত চনদখনৰ ১, ২ (১), ৬ (২) আৰু ৮ অনুচ্ছেদৰ বক্তব্য তলত দাঙি ধৰা হ'ল।

অনুচ্ছেদ-(১) উন্নয়নৰ অধিকাৰ প্ৰত্যেক মানুহৰ অপৰিহাৰ্য মানৱ অধিকাৰ। যাৰ সহায়ত প্ৰত্যেক মানৱ ব্যক্তি আৰু জনসাধাৰণে উন্নয়নৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰে, উন্নয়ন প্ৰক্ৰিয়াত অৱদান আগবঢ়াব পাৰে আৰু অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক উন্নয়ন উপভোগ কৰিব পাৰে। যাৰ জৰিয়তে প্ৰতিগৰাকী ব্যক্তিৰ মানৱ অধিকাৰ আৰু মুক্তি উপলব্ধি হ'ব।

অনুচ্ছেদ- ২(১) ঃ উন্নয়নৰ মানৱ অধিকাৰে আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ পূৰ্ণ উপলব্ধি সূচায়। যিয়ে মানৱ অধিকাৰৰ আন্তৰ্জাতিক চনদ স্বীকৃত সম্পদৰ ওপৰত জনগণৰ সাৰ্বভৌমত্বক স্বীকৃতি দিয়ে।

অনুচ্ছেদ - ৬ (২) ঃ **মানৱ ব্যক্তিয়েই হ'ব উন্নয়নৰ কেন্দ্ৰীয় বিষয়। য'ত সকলো মানুহ উন্নয়ন প্ৰক্ৰিয়াটোৰ অংশগ্ৰহণকাৰী আৰু হিতাধিকাৰী হ'ব।**

অনুচ্ছেদ - (৮) ঃ ৰাষ্ট্ৰই জাতীয় পৰ্যায়ত উন্নয়নৰ অধিকাৰ উপলব্ধ হোৱা বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব। নাগৰিকৰ প্ৰাথমিক প্ৰয়োজনৰ ভিত্তিত প্ৰতি ব্যক্তিৰ বাবে শিক্ষা, স্বাস্থ্য, খাদ্য, বাসস্থান, নিয়োগ আৰু উপাৰ্জনৰ সু-ব্যৱস্থাৰ কৰিব। উন্নয়ন প্ৰক্ৰিয়াত মহিলাসকলে ভূমিকা গ্ৰহণ কৰিব পৰাকৈ কাৰ্যকৰী ব্যৱস্থা নিশ্চিত কৰিব লাগিব। সকলো প্ৰকাৰৰ সামাজিক বৈষম্যৰ বিলোপ সাধনৰ হকে ৰাষ্ট্ৰই সঠিক অৰ্থনৈতিক আৰু সামাজিক সংস্কাৰৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। সকলো মানৱ অধিকাৰ উপলব্ধ হ'বলৈ ৰাষ্ট্ৰই উন্নয়ন অধিকাৰৰ এক অন্যতম কাৰক হিচাপে উন্নয়ন প্ৰক্ৰিয়াত প্ৰতিজন নাগৰিকৰ অংশগ্ৰহণৰ সুযোগ

নিশ্চিত কৰা উচিত।

কিন্তু উন্নয়নৰ অৰ্থক আমি কি ভাৱে গ্ৰহণ কৰিম? *উন্নয়নক ৰূপ দিব লাগিব মানুহৰ সামগ্ৰিক বিকাশৰ পটভূমিত। সম্পদৰ বৃদ্ধিয়েই উন্নয়ন হ'ব নোৱাৰে। সম্পদৰ পৌনঃপৌনিক বৃদ্ধিৰ ভাৱনা উন্নয়নৰ উদ্দেশ্যৰ পৰা দলিয়াই দিব লাগিব। উন্নয়নৰ উদ্দেশ্য আৰু লক্ষ্য সম্পদ বৃদ্ধিৰ লগতেই হ'ব লাগিব ব্যক্তিগত আৰু সামূহিক উভয় ক্ষেত্ৰৰ সমগ্ৰ মানুহৰ নৈতিক আৰু বস্তুগত উত্তৰণ। "মানুহ কেৱল ৰুটিৰে জীয়াই থাকিব নোৱাৰে।"* এজন মানুহে কিয়েইবা লাভ কৰে যদিহে তেওঁ সমগ্ৰ পৃথিৱীখন লাভ কৰি নিজৰ আত্মাক হেৰুৱাব লগা হয়!! "

মাৰ্টিন লুথাৰ কিঙ (কনিষ্ঠ)ই এই প্ৰসঙ্গতেই কৈছে -- "আমাৰ জীৱন ধাৰণৰ পদ্ধতিয়ে আমি প্ৰকৃততেই কিহৰ বাবে জীয়াই থকা উচিত সেই উদ্দেশ্যক বহু দূৰলৈ ঠেলি দিছে। আমি মহাকাশৰ অপাৰ ৰহস্য ভেদকৰাৰ বাবে দূৰ দুৰান্তৰৰ অচিন গ্ৰহ-নক্ষত্ৰৰ প্ৰকৃত কক্ষপথলৈ দূৰভেদী মিছাইল নিক্ষেপ কৰি তাক সঠিকভাৱে নিয়ন্ত্ৰন কৰিব পাৰিছোঁ। কিন্তু আমাৰ উদ্দেশ্যক প্ৰকৃত পথত পৰিচালিত কৰিবলৈ ব্যৰ্থ হৈ বিপথে পৰিচালিত কৰি আছোঁ।"

ব্যক্তিগত আৰু সামূহিক জীৱনৰ উন্নয়ন তেতিয়াহে অৰ্থপূৰ্ণ হ'ব যেতিয়া মূল্যবোধৰ ৰামধেনুৰ পৰা বিচ্ছুৰিত সাতোৰবৰণীয়া ৰঙেৰে সিক্ত হৈ পৰিব উন্নয়নৰ ভাৱনা।

এদিন কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে গান্ধীজীক সুধিছিল -- "গান্ধীজী, আপুনি ইমানেই অৰোমান্তিক নে? যেতিয়া সূৰ্য্যোদয় হয় তেতিয়া প্ৰভাতী সূৰুযৰ ৰাঙলী আভাই আপোনাৰ হৃদয় ৰঙাই নোতোলেনে? যেতিয়া চৰাইবোৰে গীত গাই তেতিয়া চৰাইৰ সেই স্বৰ্গীয় মধুৰ গুঞ্জন, কাকলি ধ্বনি শুনি আপোনাৰ হৃদয় নাচি নুঠেনে? গোলাপৰ কলিবোৰে পাহি মেলি বাগিচা জকমকাই তোলা মনোমোহা দৃশ্য দেখি আপোনাৰ হৃদয় পুলকিত হৈ নুঠেনে?"

গান্ধীজীয়ে উত্তৰ দিছিল -- "গুৰুদেৱ, মই তেনে মুকবধিৰৰ দৰে বা সিমান অসংবেদনশীল নহয় যে, সূৰ্য্যোদয়ৰ হেঙুলী আভা বা চৰাইৰ স্বৰ্গীয় গুঞ্জনধ্বনিয়ে মোক আকৃষ্ট নকৰাকৈ থাকিব। কিন্তু মই কি কৰিমঙ্গ মোৰ এটাই আকাঙ্খা, এটাই উদিগ্নতা, এটাই লক্ষ্য যে কেতিয়াকৈ মোৰ ভাৰতৰ কোটি কোটি অৰ্দ্ধনগ্ন, অনাহাৰী প্ৰজাৰ মুখত গোলাপৰ গোলাপী আভা দেখিমঙ্গঙ্গ কেতিয়াকৈ পখীৰ মিঠা আৰু মেলেডিয়াছ সঙ্গীত সেইসকলৰ যন্ত্ৰণাকাতৰ মুখত শুনিবলৈ পাম। কেতিয়াকৈ তেনে সঙ্গীত সেইসকলৰ আন্তৰাত্মাৰ পৰা ভাঁহি আহিব। কেতিয়াকৈ সেইদিন আহিব, যিদিনা পুৱাৰ সূৰুযৰ ৰাঙলী আভাই দেশবাসীৰ হৃদয়-মন ৰাঙলী কৰি তুলিব আৰু মই তাৰ উজ্জ্বলতা আৰু ৰঙীণ আভা প্ৰতিজন দেশবাসীৰ মুখত দেখিবলৈ পাম??

শ্বেক্সপীয়েৰে 'হেমলেট'ৰ মাজেৰে সন্ধান কৰিছিল এই মানুহক— "What a piece of work is a man ! How noble in reason ! How infinite in faculty inform, in moving, How express and admirable ! In action how like anangel ! In apprehension how like a God ! The beauty of the world, the paragon of animals."

গান্ধীজীৰ সপোনৰ সেই কোটি কোটি অৰ্দ্ধাহাৰ, অনাহাৰ, অৰ্দ্ধনগ্ন মানুহৰ দুখ-দুৰ্দ্দশা মোচনেৰে জনগণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নীত কৰাৰ প্ৰচেষ্টাই প্ৰতিগৰাকী শিক্ষিত ব্যক্তি,প্ৰতিটো বে-চৰকাৰী স্বেচ্ছাসেৱী সংগঠনৰ প্ৰধান আৰু প্ৰথম লক্ষ্য হোৱা উচিত। যাৰ বাবে প্ৰয়োজন প্ৰতিজন নাগৰিকৰ উন্নয়নৰ অধিকাৰ সাব্যস্তকৰণৰ পদক্ষেপ গ্ৰহণ।

স্বামী বিবেকানন্দই কৈছিল— "We talk follishly against matterial civilization..... Bread! Bread! I don't belive in God who cann't give me Bread here, giving me eternal bliss in Heaven. Phooh! ..... more Bread more opportunity for everybody." এই পৃথিৱীৰ এইটো জীৱনত যদি আমি প্ৰতি ব্যক্তিৰ বাবে পৰ্যাপ্ত সুযোগ-সুবিধা আৰু ভাত-কাপোৰৰ সমস্যাৰ সমাধান আগবঢ়াব নোৱাৰো, তেন্তে ধৰ্মৰ নামত, ঈশ্বৰৰ নামত সময় ব্যয় কৰি পৰজীৱনৰ বাবে অপাৰ্থিৱ-বিমূৰ্ত্ত স্বৰ্গীয় সুখৰ সন্ধান কৰাৰ কিবা সাৰ্থকতা আছেনে?

হাৰ্বট স্পেনচাৰৰ মতে -- "No one can be perfectly free,til all are free, No one can be perfectly moral ,till all are moral, No one can be perfectly happy till all are happy." 'বসুধা কুটুম্বকম্' ভাৰতীয়ৰ জীৱন দৰ্শনৰ মৰ্মাথয়ো এই কথাকেই সোঁৱৰাই দিয়ে। আমাৰ চৌপাশৰ সমাজখনৰ প্ৰতিজন ব্যক্তি মুক্ত, নৈতিকতাসম্পন্ন আৰু সুখী নোহোৱা পৰ্যন্ত আমি কোনোৱেই প্ৰকৃতাৰ্থত মুক্ত নৈতিকতা সম্পন্ন আৰু সুখী হ'ব নোৱাৰিম। তেওঁলোকৰ দাসত্ব, অনৈতিকতা আৰু দুখৰ বিষবাষ্পই সমাজ জীৱনৰ প্ৰতিজনকেই স্পৰ্শ কৰিব। মানৱ অধিকাৰৰ প্ৰশ্নত ইয়েই উন্নয়নৰ প্ৰক্ৰিয়া আৰু উৎপাদনৰ আঁৰৰ ভাৱনা হওক।◆ ◆